# ASSAM
# Legislative Assembly
# Debates

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**JULY-SESSION**
**NO. 2**

**The 15th July, 1985**
**Price 18.00**

# CONTENTS

**July Session**

**No.–2**

**Dated the 15 th July, 1985**


| | |
|---|---|
| 1. Questions and Answers | 1–3 |
| 2. Information furnished by Minister | 14 |
| 3. Calling Attention Notice | 14 –17 |
| 4. Matter under Rule 301 | 17–19 |
| 5. Motion under Rule 50 | 19 –50 |
| 6. Adjournment. | 51 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Monday, the 15th July, 1985

**The House met at 10 A.M. of the Clock in the Assembly Chamber, at Dispur with Mr, Deputy Speaker in the Chair.**

## STARRED QUESTIONS AND ANSWERS

## (To which oral answers were given)

**Mr. Dy. Speaker:-** Now Starred Question No. 5-Hon'ble Member Smti. Mridula Chaharia.

**বিষয় ঃ মঙ্গলদৈত বাননিয়ন্ত্ৰণ বিভাগৰ সংমণ্ডল স্থাপন।**

**শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে ঃ**

* ৫। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাননিয়ন্ত্ৰণৰ সুবিধাৰ বাবে দৰং জিলাৰ মঙ্গলদৈত বাননিয়ন্ত্ৰণ বিভাগৰ সংমণ্ডল (Division) এটা স্থাপন কৰাৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছেনেকি ?

(খ) যদি আছে কেতিয়াৰ পৰা এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰা হব ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী** (বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) হয়, বাননিয়ন্ত্ৰণ বিভাগৰ সংমণ্ডল এটি মঙ্গলদৈ জিলাত স্থাপন কৰাৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

(খ) এই বিত্তীয় বছৰৰ ভিতৰতে কাৰ্য্যকৰী কৰাৰ চিন্তা কৰা হৈছে যদিহে পৰিকল্পনা আৰু বিত্ত বিভাগৰ অনুমোদন পোৱা হয়।

* **শ্ৰীমতী মৃদুলা চহৰীয়া ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে পৰিকল্পনা আৰু বিত্ত বিভাগৰ অনুমোদন লৈ আমাক এই বছৰৰ ভিতৰতে এই ডিভিজন অফিচটো প্ৰতিষ্ঠা কৰাৰ প্ৰতিশ্ৰুতি দিবনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, এই বছৰৰ ভিতৰতে হব।

* **Shri Binoy Khungur Basumatary :** Sir, the Minister in his reply has referred to the matter as Mangaldai district. Is there a district called Mangaldai?

---

* ***Speech not Corrected***

*** Shri Ranendra Narayan Basumatary (Minister) :** Sir, this is very Well known to the Hon'ble member.

*** Shri Binoy Khungur Basumatary :** Whether there is a district called Mangaldai ?

**[Voices : it is slip of tongue]**

*** শ্ৰীমথুৰা ডেকা ঃ** উপাধ্যক্ষ মহোদয়, মঙ্গলদৈ জিলাত ডিভিজন অফিচ হলেই বানপানী নিয়ন্ত্ৰণ হবনেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিছাৰিছো।

*** শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, বৰ বেচিকৈ বান বিধস্ত অঞ্চল মঙ্গলদৈ আৰু দৰং জিলা। গতিকে অতিৰিক্ত বানপানীত ক্ষতিগ্ৰস্ত হোৱা ৰাইজৰ কিছু কষ্ট লাঘৱ হব বুলি ভাবিছো।

*** শ্ৰীমতী মৃদুলা চহৰীয়া ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ দৰং জিলাৰ চাৰ্কোল অফিচটো নগাওঁত আছে। এইটো দৰং জিলালৈ নিয়াৰ ব্যৱস্থা কিবা আছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

*** শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি চূড়ান্তভাৱে বিবেচনা কৰিব পৰা নাই। কিন্তু এটা এ, চি, অফিচৰ কাৰণে বিবেচনা কৰিছো।

*** শ্ৰীৰমেশ ফুকন ঃ** উপাধ্যক্ষ মহোদয়, নগাওঁ জিলাত থকা অফিচটো দৰং জিলালৈ কাটি নিলে নগাওঁ জিলাৰ অৱস্থা কি হব?

*** শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** নগাওঁৰটো উঠাই কাটি অনাৰ প্ৰশ্নই উঠা নাই। বেলেগ এটা অফিছ পতাৰ বাবেহে চেষ্টা কৰি থকা হৈছে।

*** Shri Binoy Khungur Basumatary :** If and when a decision is made to establish a divisional office where it will be located ?

*** Shri Ranendra Narayan Basumatary (Minister):** Exact date is not yet finalised. We are expecting it within two months.

*** Shri Binoy Khungur Basumatary :** My question is about location; whether it will be located at Udalguri ?

*** Shri Ranendra Narayan Basumatary (Minister):** There should not be any controversy regarding the place of the headquarters right now. Mangaldai is the district head quarters and it should be located there.

---

* *Speech not Corrected*

* **Shri Debesh Chakrabarty** : Sir, whether the Minister is considering for one Flood Control office for Hojai sub-division ?

* **Shri Ranendra Narayan Basumatary (Minister)** : There is no such proposal now.

* **Shri Debesh Chakrabarty** : May I know the reason for it ? Hojai sub-division is a flood affected area where there has been damage by flood and erosion.

* **Shri Ranendra Narayan Basumatary (Minister)** : There is no such recurrence of flood as has been pointed outby the Hon'ble member.

* **Shri Debesh Chakrabarty** : Every year there is regular flood.

* **Shri Ranendra Narayan Basumatary (Minister)**: There may be flood. We are concerned with the work load. For one Division the work volume must be to the tune of 1 crore as the minimum.

* **Shri Debesh Chakrabarty** : Whether the Minister will assess the situation and examine the matter of the Sub-division because there is recurrence of floods.

* **Shri Ranendra Narayan Basumatary (Minister)** : That area is taken care of by the Nowgong Division.

**Mr. Dy. Speaker:-** Now Starred Question No. 6

Hon'ble Member Shri Mathura Deka.

**বিষয় ঃ হৰহৰিয়া জানৰ শ্লুইচ গেট।**

**শ্ৰীমথুৰা ডেকাই সুধিছে ঃ**

* ৬। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া মহকুমাৰ অন্তৰ্গত পাতিদৰং মৌজাৰ হৰহৰিয়া জানত 'শ্লুইচ গেট' সজা হলনে ?

(খ) যদি হৈছে কেতিয়া হৈছে জনাবনে ?

(গ) যদি হোৱা নাই কেতিয়া সজা হব জনাবনে ?

**শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হোৱা নাই।

---

* **Speech not Corrected**

(খ) প্ৰশ্ন নুঠে।

(গ) ন্যুনতম অনুসন্ধান শেষ হলেই আঁচনি প্ৰস্তুত কৰা হ'ব আৰু কাৰিকৰী কমিটিৰ অনুমোদন আৰু প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা হলে কাৰ্য্যকৰী কৰিব পৰা হ'ব।

* **শ্ৰীমথুৰা ডেকা ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ মনত থাকিব পায় যোৱা সদনত এই বান্ধটো বন্ধাৰ কাৰণে তেখেতে প্ৰতিশ্ৰুতি দিছিল, এইটো হ'বনে নহয়?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, যোৱা সদনত প্ৰতিশ্ৰুতি দিয়াৰ সাপেক্ষেই আমাৰ বিভাগৰ পৰা ইতিমধ্যে অনুসন্ধান চলাই থকা হৈছে। শ্লুইচ গেট আৰু কালভাৰ্ট আদি কৰিবলৈ হলে ৪-৫ বছৰ মান অনুসন্ধানৰ প্ৰয়োজন। ইয়াৰ বাবে হাইড্ৰলজিকেল ডাটা আদি সংগ্ৰহ কৰা একান্ত প্ৰয়োজন। ইতিমধ্যে দুবছৰ মানৰ ডাটা সংগ্ৰহ কৰা হৈছেই আৰু এই বাৰিষা বতৰৰ যি ডাটা সেইটো সংগ্ৰহ কৰা শেষ হলেই আমি অহা বছৰৰ ভিতৰতে এই প্ৰস্তাৱটো টেকনিকেল এডভাইজৰী কমিটীত আনিব পাৰিম। টকা পইচা আদি যদি পোৱা হয় তেতিয়া হলে আমি সময়মতে কাম আৰম্ভ কৰিব পাৰিম।

* **শ্ৰী মথুৰা ডেকা ঃ** উপাধ্যক্ষ মহোদয়, টকা পইচা পোৱা হলেহে হ'ব নহলে আশা নাই। আকৌ টেকনিকেল এডভাইজৰী কমিটীৰ অনুমোদন হ'ব লাগিব, অনুমোদন নহলেও নহ'ব। এনেস্থলত কিহৰ ওপৰত ভিত্তি কৰি আমি এইটো আশা কৰিব পাৰো।

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** চাৰ, টেকনিকেল কমিটীত নিশ্চয় টেকনিকেল ফিজিবিলীটীহে হ'ব। কাৰণ অভিজ্ঞ কাৰিকৰী অভিযন্তা সকলে অনুসন্ধান কৰি আছে। তেওঁলোকৰ অনুমোদন নোহোৱা কথাই নাই। কিন্তু আচল কথা নিৰ্ভৰ কৰিছে টকাৰ ওপৰত। গতিকে পুঁজিৰ ব্যৱস্থা কৰাৰ কাৰণে আমি ব্যৱস্থা কৰি আছো।

* **শ্ৰীআফজালুৰ ৰহমান ঃ** উপাধ্যক্ষ মহোদয়, হাইড্ৰলজিকেল ডাটা লোৱাৰ পিচত এইটো কৰিব পৰা যাব বুলি মন্ত্ৰী মহোদয়ে কৈছে। মোৰ প্ৰশ্ন হৈছে যোৱা বছৰ এই শ্লুইচ গেটৰ গেটটোৰেদি কিমান কিউচেক পানী নিষ্কাষণ কৰা হৈছে ? আৰু ইঞ্জিনীয়াৰ সকলে কিমান নিষ্কাষণ কৰিব পাৰিব বুলি ভাৱিছে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, শ্লুইচ গেট হোৱা নাই? কালভাৰ্ট বনোৱাৰ কাৰণে প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে।

* **শ্ৰীআফজালুৰ ৰহমান ঃ** উপাধ্যক্ষ মহোদয়, এখন আঁচনি লোৱাৰ সময়ত বছৰি বছৰি ডাটা দিয়া হয় সেইটো ইঞ্জিনীয়াৰ চেক্ৰেটাৰীৰ পৰা মন্ত্ৰীলৈ আহে নে নাই আৰু সেই মতে কামত প্ৰগ্ৰেচ কৰিব নে নাই অথবা প্ৰতিবাৰে ডাটা দিব লাগে বুলি নিৰ্দ্দেশ দিয়া আছে নে নাই মন্ত্ৰী

* *Speech not Corrected*

মহোদয়ে জনাবনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বাননিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ এইটো নিৰ্দেশ আছে যাতে বছৰে বছৰে ডাটা বিলাক একজিকিউটিভ ইঞ্জিনীয়াৰে চেক্ৰেটাৰী পৰ্য্যায়লৈ পঠাব লাগে আৰু সেই হিচাবে দি থাকিব লাগে।

* **শ্ৰীআফজালুৰ ৰহমান** ঃ মন্ত্ৰী মহোদয় স্বীকাৰ কৰিছে যে বছৰে বছৰে তেনে ডাটা পঠিওৱাৰ নিৰ্দেশ আছে, চেক্ৰেটাৰীলৈ ডাটা পঠিয়াব লাগে। কোনোবাই তেনে নিৰ্দ্দেশ ডিনাই কৰিছে বুলি মন্ত্ৰী মহোদয়ে কব বিচাৰিছে নেকি ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বাননিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ মাননীয় সদস্য গৰাকীয়ে ভুলকৈ শুনিছে বোধকৰো। ইঞ্জিনীয়াৰ সকলে দাখিল কৰিব চেক্ৰেটাৰীলৈকে আৰু চেক্ৰেটাৰীয়ে মন্ত্ৰীলৈ পঠালে সেইমতে আলোচনা কৰি বিবেচনা কৰা হয় চেক্ৰেটাৰী জন যিহেতু এই বিষয়ত অভিজ্ঞ গতিকে সেই দৃষ্টিৰে চাই পঠিয়াই। সেই মতে তিনি বছৰৰ ডাটা হলে বিবেচনা কৰা হয়।

* **শ্ৰীপূৰ্ণ বড়ো** ঃ উপাধ্যক্ষ মহোদয়, এই শ্লুইচ গেটৰ প্ৰশ্নত এইটো কথা চাবলাগিব যে এই হৰহৰিয়া জানটো কিমান দৈৰ্ঘ্যৰ। কাউৰবাহা সমষ্টিৰ পৰা আৰম্ভ হৈছে এই জানটো আৰু গুৰমৌ গাওঁৰ ৰাইজে শ্লুইচ গেট বিচাৰিছে। জানটো পাতিদৰং মৌজা পৰ্য্যন্ত আছে। গতিকে কোনখিনিত শ্লুইচ গেটটো দিব বিচাৰিছে খাতাং কৈ জনালে ভাল হয়।

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বান নিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ তথ্যপাতি সংগ্ৰহ নকৰাকৈ খাতাংকৈ শ্লুইচ গেটৰ স্থান নিৰ্দ্ধাৰণ কৰি কোৱা টান।

* **শ্ৰীমথুৰা ডেকা** ঃ এতিয়ালৈকে কালেকশ্বন হোৱা ডাটা বিলাকৰ এখন তালিকা সদনৰ মেজত দাখিল কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰোনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বান নিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ মই নিজেই পোৱা নাই গতিকে কেনেকৈ দাখিল কৰিম। বৰ্ত্তমান ইনভেষ্টিগেশ্বন ষ্টেজতে আছে কাৰণে এতিয়া তথ্যপাতি খিনি দাখিল কৰাৰ সুবিধা এতিয়া অহা নাই।

* **শ্ৰীমহম্মদ হুচেইন** ঃ শ্লুইচ গেট এটা দিয়া কাৰণে কি কি তথ্যৰ প্ৰয়োজন মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বাননিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ এইটো সম্পূৰ্ণ টেকনিকেল কথা। তাৰ ওপৰতহে নিৰ্ভ্ভৰ কৰে। পানীৰ গ্ৰেড চাব লাগিব, বৰষুণ কিমান পৰে আৰু খেতিপথাৰলৈ কিমান যায়, পানী ওলাই যোৱাৰ সুবিধা কিমান, মূল নদী কিমান দূৰত, নদীৰ ভাজ কেনেকুৱা ইত্যাদি

---

* Speech not Corrected

বহু কথা চাবলগীয়া হয়।

**(Starred Question No.7 could not be taken up for disposoal as the questioner was not present in the house when called for.)**

**Mr. Dy. Speaker:- Now Starred Question No. 8 Hon'ble Member Shri Durgeswar Patir.**

**Re : Pay-Scale of a Planning Officer.**

**Shri Durgeswar Patir asked :**

* 8. Will the Minister, welfare of Plain Tribes and Backward Classes be pleased to state :

a) Whether it is fact that a planning officer in TA/ WBC Department was not given scale of pay sanctioned to the post for a period from 1968-1975.?

b) If so, why?

c) whether avenues of promotion can be created for the post by encadrement ?

d) If not why ?

**Shri Ranendra Narayan Basumatary (Minister), replied :**

a) It is not a fact.

b) Does not arise.

c) No.

d) The post of the Special officer was created in the welfare of WPT & BC Department with a view to accommodate Sri R. C. Hazarika and to ameliorate his hardship after retrenchment.

* **শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ** উপাধ্যক্ষ মহোদয়, 'এ' প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে সঁচা নহয় বুলি কৈছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো এই বিষয়া জনক প্ল্যানিং অফিচাৰ হিচাবে ট্ৰেইনিঙলৈ পঠোৱা হৈছিল নে নাই ?

---

* *Speech not Corrected*

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী, (মন্ত্ৰী) ঃ** যিহেতু শ্ৰীৰাম চন্দ্ৰ হাজৰিকা চৰকাৰী চাকৰিত আছিল সেই কাৰণেই অৰিয়েন্‌টেশ্বন কোৰ্চৰ কাৰণে প্ৰশিক্ষণৰ কাৰণে পঠোৱা হৈছিল।

* **শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ** তেখেতক সেই সময়ত কিমান টকা পে দিয়া হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী, ( মন্ত্ৰী) ঃ** চাৰিশ পঞ্চাশ টকা ফিক্স পে দিয়া হৈছিল সেই সময়ত।

* **শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ** তেনে প্ৰশিক্ষণৰ পিছত কিমান বছৰ চাকৰি কৰিছিল জনাবনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী, (মন্ত্ৰী) ঃ** চাৰিশ পঞ্চাশ টকা হিচাবে প্ৰায় চাৰি বছৰ কাল কৰিছিল। ইতিমধ্যে জ্যেষ্ঠ বিষয়া এজন অভিজ্ঞতা ভিত্তিত প্ল্যানিং অফিচাৰ হিছাবে লোৱাৰ প্ৰয়োজন হৈছিল।

* **শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ** যিহেতু কেন্দ্ৰীয় চৰকাৰৰ প্ল্যানিং কমিশ্বনৰ ট্ৰেইনিঙৰ কাৰণে পঠোৱা হৈছিল তেনে স্থলত ট্ৰেইনিঙৰ পিছত কিয় ৰেগুলাৰাইজ কৰা নহ'ল মন্ত্ৰী মহোদয়ে জনাবনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী, (মন্ত্ৰী) ঃ** তেখেতৰ কাৰণে স্পেচিয়েল অফিচাৰৰ পদ তৈয়াৰ কৰা হৈছিল। সেইমতে সাতশৰ পৰা চৈধ্যশ টকালৈ দৰমহাৰ নিৰিখ আছিল।

* **শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ** ১৯৬৮ চনত সেই সময়ত মুখ্যমন্ত্ৰীৰ নোটৰ পৰিপ্ৰেক্ষিতত দুটা পোষ্ট তৈয়াৰ কৰাৰ কথা আছিল কিন্তু তাৰ সলনি স্পেচিয়েল অফিচাৰ পোষ্ট কৰাৰ কাৰণে আৰু ফিক্স পে কৰাৰ কাৰণে বিত্ত বিভাগ আৰু এ-জিয়ে আপত্তি কৰিছিল এই বিলাক কথা মন্ত্ৰী মহোদয়ে জানেনে?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী, ( মন্ত্ৰী ) ঃ** উচ্চ ক্ষমতা সম্পন্ন পদৰ বাবে এজন চিনিয়ৰ বেংকৰ অভিজ্ঞতা সম্পন্ন বিষয়াৰ প্ৰয়োজন হৈছিল অথবা অভিজ্ঞতা সম্পন্ন ব্যক্তিক অৱসৰপ্ৰাপ্ত হ'লেও ঠিকা হিচাবে লোৱাৰ কাৰণে পদৰ সৃষ্টি কৰিব বিচৰা হৈছিল । নতুন পদ দুটাৰ ভিতৰত এটাৰ কাৰণে শ্ৰীআৰ চি হাজৰিকাইও দৰ্খাস্ত কৰিছিল আৰু তেখেতে পাইছিল। এই দুটা পদৰ ভিতৰত এটাৰ দুশৰ পৰা পাচশলৈ দৰমহাৰ নিৰিখ আৰু আনটোৰ সাতশৰ পৰা চৈধ্যশলৈ নিৰিখ ঠিক কৰা হৈছিল। শ্ৰীহাজৰিকাই যি পদত নিযুক্তি পাইছিল সেইমতে দৰমহাৰ নিৰিখমতে দৰমহা পাই আছে। আৰু তেখেতে আবেদন কৰি সেই পদ পাইছিল। সদনত সৰ্বসন্মতিক্ৰমে গৃহীত হৈছিল। সৰ্বসন্মতিক্ৰমে গৃহীত হোৱা ৰিপোৰ্টখনৰ ওপৰত চৰকাৰে আজিলৈ কি প্ৰয়োজনীয় ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

* *Speech not Corrected*

প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে ১৯৭৫ চনত ( A post of Special Officer was created in the pay-scale of Rs. 700-1400) অফিছাৰ ক্ৰিয়েট কৰি তেওঁক দিয়া হৈছে।

* **শ্ৰীহেমেন দাস** ঃ তেখেতে ১৯৭৫ চনৰ কথা কৈছে, ১৯৭৯ চনৰ কথা কৈছে। ১৯৭৯ চনত যিটো ৰিপোৰ্ট দাখিল কৰা হৈছিল সেই ৰিপোৰ্টত কমিটিৰ মন্তব্য আছিল এনেধৰনৰ ( The reason shown by the Government is not acceptable to the Committee) তাৰমানে হাজৰিকাক স্পেচিয়েল অফিচাৰ কৰি আন এজনক প্লেনিং অফিচাৰ কৰা হল। This may be one of the good pleas but not a good reason. In 1975 the Government appointed Shri Hazarika as Special Officer in the pay scale of 700-1400. But the Committee did not find any such paper. The Committee finds that a fixed pay of Rs. 450/ was given to him from 27th July, 1968, to 15th July, 1972. এই পিৰিয়দটোত কমিটিৰ ৰিপোৰ্টত আছিল The Committee is of the opinion that the assurance still remains unimplemented in view of the findings stated above গতিকে ১৯৭৯ চনৰ কমিটিৰ ৰিপোৰ্টৰ পাছত হাজৰিকাৰ সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা লৈছে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী )** ঃ ১৯৭২ চনৰ পৰা ১৯৭৫ চনলৈ ২ বছৰ ৮ মাহ তেওঁ চাকৰীৰ পৰা বাদ পৰি আছিল আৰু তেওঁৰ কষ্টৰ কথা বিবেচনা কৰিয়ে এই বিভাগত এটা স্পেচিয়েল অফিছাৰৰ পদ সৃষ্টি কৰা হ'ল। গতিকে তেওঁ ২ বছৰ ৮ মাহ কাল যে চাকৰী নাছিল সেই নথকা কালচোৱাৰ কাৰণে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিলে যে তেওঁৰ চাৰ্ভিচৰ কণ্টিনিউটি থাকিব যাতে পেঞ্চন গ্ৰেটুইটি আদিত কোনো অসুবিধা নহয়।

* **শ্ৰীহেমেন দাস** ঃ মোৰ প্ৰশ্ন হৈছে ১৯৭৯ চনৰ ৭ এপ্ৰিলৰ পাছত চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিলে। কাৰণ এই ৰিপোৰ্ট সদনে সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰিছে ; চৰকাৰৰ কৰ্ত্তব্য তাক আখৰে আখৰে পালন কৰা। সদনত গৃহীত হোৱাৰ পাছত চৰকাৰে তাৰ অন্যথা কৰিব নোৱাৰে বা কোনো বিভাগৰে তাক পালন নকৰাৰ অধিকাৰ নাই। কাৰণ সদনৰ সদস্যৰ লগত এই সকল জড়িত। গতিকে বাধ্যতামূলকভাবে চৰকাৰে কিয় ব্যৱস্থা গ্ৰহণ কৰা নাই ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)** ঃ মই ১৯৭৯ চনৰ পাছৰ কথাই কৈছো। ১৯৮৪ চনত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে যে তেওঁৰ যিটো ব্ৰেক অৱ চাৰ্ভিচ সেইটোৰ কণ্টিনিউটি থাকিব গতিকে চৰকাৰে তেওঁক উপকাৰ নকৰা নহয় তেওঁৰ উপকাৰৰ কাৰণেই এনে ব্যৱস্থা লৈছে।

* **শ্ৰীহেমেন দাস** ঃ তেওঁৰ চাৰ্ভিচটো ৰেগুলাৰ কৰিলে কিন্তু দৰ্মহা দিলে নে নাই ?

---

* *Speech not Corrected*

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** পোষ্টটো ক্ৰিয়েট কৰা হৈছে সেই হিচাৱে দৰ্ম্মহা পাই থাকিব।

* **শ্ৰীহেমেন দাস ঃ** ১৯৬৮ চনৰ পৰা তেওঁৰ কি ব্যৱস্থা কৰা হৈছিল ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** ২০০ পৰা ৫০০ টকালৈ দৰ্মহাৰ পদ এটা খোলা হৈছিল । তেওঁ সেই পদতে আছিল।

* **শ্ৰীহেমেন দাস ঃ** এই এচুৰেঞ্চ কমিটিৰ ৰিপোৰ্টৰ পাছত তেওঁৰ চাৰ্ভিচটো ৰেগুলাৰাইজ কৰা হ'ল নে নাই অৰ্থাৎ তেওঁক অফপিৰিয়দত দৰ্মহা দিয়া হ'ল নে নাই ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** তেওঁৰ ব্ৰেক চাৰ্ভিচটো ৰেগুলাৰ কৰা হৈছে।

* **শ্ৰীহেমেন দাস ঃ** পইছা নিদিয়াকৈ কেনেকৈ ৰেগুলাৰাইজ কৰা হ'ল ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** এই পদত অৰ্থাৎ ৭০০ পৰা ১৪০০ লৈ তেওঁক দৰ্ম্মহা দি থকা হৈছে আৰু ৰিভাইচ পেৰ বেনিফিটো পাইছে।

* **শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ** তেওঁক যে প্লেনিং অফিছাৰ দিয়া হৈছিল ১৯৬৮ চনৰ সচিৱৰ নোটিফিকেচন মতে তাৰ প্ৰমানিত হৈছে। তেওঁক কনচলিদেট পেত প্লেনিং অফিছাৰ কৰা হৈছিল। তেতিয়াৰ পৰা তেওঁক সেই বেনিফিট কিয় দিয়া হোৱা নাই ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** ১৯৬৭ চনত অসম চৰকাৰে উচ্চ আৰু অভিজ্ঞতা থকা জেষ্ঠ বিষয়া এজনক নিয়োগ কৰা কাৰণে এটা প্লেনিং অফিছাৰৰ পদ সৃষ্টি কৰা হৈছিল যাৰ দৰ্ম্মহা আছিল ৭৫০ টকাৰ পৰা ১২০০ টকালৈ। সেই পোষ্টত নিয়োগ কৰা কাৰণে যথোপযুক্ত বিষয়া নথকা কাৰণে তাৰ তলতে দুটা লোৱাৰ লেভেলত প্লেনিং অফিছাৰৰ পদ সৃষ্টি কৰা হৈছিল যাৰ দৰ্ম্মহা আছিল ২০০ পৰা ৫০০ টকা । শ্ৰীহাজৰিকাৰ নিজৰ ইচ্ছানুসাৰে তেওঁ দৰ্খাস্থ কৰাত এই পদত নিযুক্ত কৰা হৈছিল।

* **শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ** উপাধ্যক্ষ মহোদয়, Continued from 19.1.68 to 17.7.72 at a consolidated pay of Rs. 450 এতিয়া যিহেতু তেখেতক চাকৰিৰ জেষ্ঠতা আৰু অন্যান্য সুবিধাবোৰ দিয়া হৈছে তেনেক্ষেত্ৰত তেওঁৰ চাকৰিৰ কাল ব্যাহত হোৱা সময় ছোৱা Condoned কৰা হৈছেনে নাই ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, এইটো কৰা হৈছে।

* **শ্ৰীপূৰ্ণ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, তেওঁক সেই সময় ছোৱাৰ বাবে দৰমহা দিয়া হ'ব নে নাই ?

* ***Speech not Corrected***

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, চৰকাৰে গোটেইবোৰ কথা পৰীক্ষা কৰি সিদ্ধান্ত গ্ৰহণ কৰিছে যে তেখেতক ফাইনেনচিয়েল বেনিফিট দিয়াটো সম্ভৱ নহয়। কিন্তু তেখেতৰ চাকৰিৰ ব্যাহত সময় চোৱা কনদন কৰা হৈছে।

**Mr. Dy. Speaker:-** Now Starred Question No. 9 Hon'ble Member Shri Purna Boro.

## বিষয় ঃ পুথিমাৰী নৈৰ মথাউৰী।

**শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ**

* ৯। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পুথিমাৰী নৈৰ খহনীয়াৰ ফলত উত্তৰ হাবিজোৰা আৰু মোকালদঙা বালাবাৰীত মথাউৰী ভঙা সম্পৰ্কে জানেনে ?

(খ) যদি জানে, উক্ত মথাউৰী পুনৰ নিৰ্ম্মাণৰ ব্যৱস্থাৰ লগত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থ্ কৰা হৈছেনে ?

**শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) হাবিজোৰা অঞ্চলত অস্থায়ী বান্ধ নিৰ্ম্মাণ আৰু খহনীয়া প্ৰতিৰোধ ব্যৱস্থা কৰা হৈছে। মোকলদঙা বালাবাৰীত তেনে ব্যৱস্থা বৰ্ত্তমানে লোৱা হোৱা নাই।

* **শ্ৰীপূৰ্ণ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, মোকলদুঙা বালাবাৰীত খহনীয়াই যি মথাউৰি ভাঙি নিলে তাক সাময়িক ভাবে হলেও বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, মোকলদুঙা বালাবাৰীত মথাউৰি নথকা চাৰে পাচ কিলোমিটাৰৰ এটা গেপ আছে। এই গেপটো মোকলদুঙা বালাবাৰীৰ নিচেই ওচৰতে। এই গেপটোৰে বাৰিষা পানী সোমাই সেই অঞ্চলৰ কিছু ঠাই প্লাবিত কৰে । এই গেপটো সাময়িক ভাবে মেৰামতি কৰাৰ কথা চৰকাৰে এতিয়াই ভবা নাই।

* **শ্ৰীপূৰ্ণ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে মোকলদুঙা বালাবাৰী অঞ্চলত কিছু অংশত মথাউৰি নাই। কিন্তু যি ঠাইত মঠাউৰি ভাঙিছে সেইপিনে পানী সোমাই খেতি

পথাৰ নষ্ট কৰিছে। গতিকে সেইভঙা অংশটো মেৰামতি কৰি বানপানী প্ৰতিৰোধ কৰাৰ ব্যৱস্থা নাই বুলি ভবাৰ যুক্তি কি ? যদি এই অঞ্চলত মথাউৰিৰ প্ৰয়োজনেই নাছিল তেনেহলে মথাউৰি বান্ধিছিল কিয় ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি ঠাইত মথাউৰি ভঙাৰ কথা কৈছে সেই ঠাইত মথাউৰি ভাঙিছে মাত্ৰ ৯০ মিটাৰ। কিন্তু ইয়াৰ নিচেই ওচৰতে চাৰে পাচ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নোহোৱা অংশ এটা আছে। এই বিস্তীৰ্ণ অঞ্চলেৰে নৈৰ পানী সোমাই ওচৰৰ অঞ্চলবোৰ প্লাবিত কৰি পেলায়। গতিকে চৰকাৰে এটা কথা বিবেচনা কৰিছে যে কেৱল এই ৯০ মিটাৰ ঠাই মেৰামতি নকৰি গোটেই অঞ্চলটোকে একেলগে সামৰি এটা মথাউৰি নিৰ্ম্মাণৰ কথা আমাৰ টেকনিকেল এডভাইচৰী কমিটীয়ে কৰি চাই আছে। এই গোটেই কামটোৰ বাবে আমাক যথেষ্ট টকা পইচাৰ প্ৰয়োজন হব। সেয়ে যদি এডভাইচৰী কমিটীয়ে পৰীক্ষা অনুমোদন দিয়ে তেনেহলে গোটেই কামটো চৰকাৰে হাতত লোৱাৰ ব্যৱস্থা কৰিব।

* **শ্ৰীপূৰ্ণ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা স্বীকাৰ কৰিছে যে এই গোটেই বিষয়টোৰে এটা স্থায়ী সিদ্ধান্তৰ প্ৰয়োজন আছে। এইখিনিতে এটা কথা যে ভৰপথাৰৰ উত্তৰ ফালে মথাউৰি নাই। আৰু তাৰ ফলত পুথি মাৰীৰ ফালৰ বালাবাৰী অঞ্চলটো প্লাবিত হয়। সেই অঞ্চলৰ ৰাইজে তাত এখন শ্লুইচ গেট বিচাৰিছে। শ্লুইচ গেটখন দিয়াৰ বব্যস্থা কৰিবনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** সেইটো অনুসন্ধান কৰিবলৈ দিয়া হব।

* **শ্ৰীপূৰ্ণ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, এই অঞ্চলৰ বানপানী প্ৰতিৰোধৰ কাৰণে পুণৰ নিৰ্ম্মাণৰ যি কাম হাতত লোৱা হব তাৰ কাৰণে মাটি অধিগ্ৰহণৰ প্ৰয়োজন হব। এই মাটি অধিগ্ৰহণ কৰোতে ৰিজাৰ্ভলেণ্ডৰ বাহিৰেও মোকালদুঙা বালাবাৰীত যিবোৰ খেতিয়কৰ মাটি অধিগ্ৰহণ কৰা হব সেইবোৰৰ ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা কৰা হবনে নহয় ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, পট্টাদাৰৰ মাটি অধিগ্ৰহণ ক ৰিলে তাৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আছে।

* **শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ** উপাধ্যক্ষ মহোদয়, বানপানী আহৰ সময়ত মথাউৰি সদায় ভাঙিয়েই আছে। মই এটা কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে বৰ্তমান হৈ থকা বানত পশ্চিম গুৱাহাটী ডিভিজনৰ টেকেলীফুটা গাৰঁত যথেষ্ট গড়াখহনীয়া আৰম্ভ হৈছে আৰু ই ইতিমধ্যে প্ৰায় ১৩০ মিটাৰমান ঠাই খহাইছে। যদি সেই ঠাইত এইদৰে খহনীয়া হৈ থাকে

* *Speech not Corrected*

তেনেহলে অতি সোনকালেই দক্ষিণ পশ্চিম কামৰূপ জিলাৰ বহুতো অঞ্চল বানপানীত ডুব যাব। এই ক্ষেত্ৰত মই কব খোজো যে কেৱল টেকেলীফুটাই নহয় বিভিন্ন ঠাইত এই বানে যথেষ্ট ক্ষতিসাধন কৰিছে। গতিকে এই গোটেই বিষয়টো চৰকাৰে জৰুৰীকালীন ভাবে কিবা ব্যৱস্থা হাতত লোৱাৰ কথা চিন্তা কৰিবনে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, যিবোৰ ঠাইত বান নিয়ন্ত্ৰণ বিভাগৰ অন্তৰ্গত সেইবোৰ ঠাইক ৰক্ষণাবেক্ষন দিয়াত এই বিভাগে অগ্ৰাধিকাৰ দিয়ে । যিবোৰ ঠাই বিপদাপন্ন হৈছে সেইবোৰক প্ৰতিৰোধৰ ব্যৱস্থা এই বিভাগৰে দায়িত্ব আৰু সেই মতে কাম হাতত লোৱা হয়। মাননীয় সদস্য গৰাকীয়ে এই ক্ষেত্ৰত যিটো কথা কৈছে সেইটো ইতিমধ্যে চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৩ কোটি টকাৰ অনুমোদন পাইছো। ইয়াৰে আমি লেগুস্পাৰ আদি তৈয়াৰ কৰি এই অঞ্চলটো সুৰক্ষিত কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

* **শ্ৰীপূৰ্ণ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে পলাশবাৰী আৰু গুমী অঞ্চলৰ বান প্ৰতিৰোধৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৩ কোটি টকা অনুমোদন পোৱাৰ কথা কৈছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে এই ধনৰ কিছু অংশৰে মোকলদঙা বালাবাৰিত যি মথাউৰি ভাঙিছে আৰু বৰপথাৰৰ উত্তৰ ফালে য'ত মথাউৰি নাই তাত মথাউৰি বন্ধাৰ কাৰণে চৰকাৰে কাৰ্য্য ব্যৱস্থা হাতত লবনেকি ? যে এই ধনৰ কিছু অংশৰে মোকলদঙা বালাবাৰিত যি মথাউৰি ভাঙিছে আৰু বৰপথাৰৰ উত্তৰ ফালে য'ত মথাউৰি নাই তাত মথাউৰি বন্ধাৰ কাৰণে চৰকাৰে কাৰ্য্য ব্যৱস্থা হাতত লবনেকি ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, উক্ত টকাটো এটা নিৰ্দ্দিষ্ট স্কীমৰ কাৰণেহে পোৱা হৈছে। মাননীয় সদস্য গৰাকীয়ে যি ঠাইত মথাউৰি মেৰামতি আৰু নতুন মথাউৰি বন্ধাৰ কথা কৈছে সেইটো এটা বেলেগ কথা। এই বিষয়টো কাৰ্য্যকৰী কমিটীৰ অনুমোদনৰ কাৰণে ডাঙি ধৰা হব।

* **শ্ৰীআফজালুৰ ৰহমান ঃ** উপাধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে যিহেতু উত্তৰটো জেনেৰেলাইজ কৰি পেলালে সেয়ে মই এটা প্ৰশ্ন কৰো। দক্ষিণ শালমাৰাৰ আমতলি আৰু লেংটিপাৰা ঠাই দুখন বানপানীত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এই খিনিতে মই মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ জনাও যে উক্ত ঠাই দুখনৰ বানপ্ৰতিৰোধ কৰাৰ লগতে দক্ষিণ শালমাৰা টাউনখন গড়াখহনীয়াৰ পৰা ৰক্ষা কৰাৰ কাৰণে চৰকাৰে বিশেষ চকু দিবনে ?

* *Speech not Corrected*

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰাৰ গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে ইতিমধ্যে ৫টা স্কীম মঞ্জুৰ কৰা হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য গৰাকীয়ে যি দুখন গাৱঁৰ কথা কৈছে সেইটো আমি অনুসন্ধান কৰি চাম।

* **শ্ৰীআফজালুৰ ৰহমান ঃ** উপাধ্যক্ষ মহোদয় এই খিনিতে মই আৰু এটা কথা জানিব বিচাৰিছো যে আমতলা আৰু লেংটিপাৰাৰ বানপ্ৰতিৰোধৰ কাৰণে টেণ্ডাৰ আদিও দিয়া হৈছিল। কিন্তু আজিলৈকে তালৈ ঠিকাদাৰ যোৱা নাই আৰু কামো আৰম্ভ হোৱা নাই। ইয়াৰ ভিতৰুৱা ৰহস্য কি নাজানো কিন্তু মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ জনাওঁ যাতে তেখেতে নিজে দায়িত্ব লৈ এই গাওঁ দুখন বানপানীৰ কবলৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা কৰে।

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয় মই আগতেই কৈছো যে বিত্তৰ অভাৱৰ কাৰণেই আমি বহুতো কাম কৰিব পৰা নাই। মই নিজে কেইজনমান সদস্যৰ সৈতে দক্ষিণ শালমাৰালৈ গৈছিলো আৰু সেই ঠাই অধ্যয়ণ কৰিছিলো আৰু জানিব পাৰিছো যে তাত বহুতো কাম টকা-পইচাৰ অভাবৰ কাৰণে কৰিব পৰা নাই। মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা টেণ্ডাৰ হোৱা কামটোও টকা-পইচাৰ অভাবৰ বাবেই ঠিকাদাৰে কাম হাতত লব পৰা নাই। তাৰ বাবে কোনো ভূৱা বিল দিয়া হোৱা নাই । আনকি তাত যি কিছু কাম হৈছে সেই কামৰ কাৰণেও আমি ঠিকাদাৰ সকলক প্ৰাপ্য টকা দিব পৰা নাই। যদি তেওঁলোকে হাই কোৰ্টও কৰে তেনেহলে চৰকাৰ বিপদত পৰিব।

* **শ্ৰীপূৰ্ণ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰাত ৫টা স্কীমৰ এটা ৰ'ড-কাম প্ৰটেকচন হিচাবে লোৱা হৈছে। কিন্তু প্ৰপাৰ ফকিৰগঞ্জত য'ত মন্ত্ৰী মহোদয়ে নিজে ৰাইজৰ পৰা স্মাৰক পত্ৰ গ্ৰহণ কৰিছিল সেই অঞ্চলটো ৰক্ষাৰ কাৰণে কি ব্যৱস্থা লৈছে ?

* **শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মাননীয় সদস্য গৰাকীও নিজে আছিল। তাত টেমপৰেৰী হিচাবে কিছুমান ব'ল্ডাৰ পেলোৱাৰ ব্যৱস্থা কৰা হৈছিল কিন্তু ই নিগাজী ব্যৱস্থা নহয়। এতিয়া দক্ষিণ শালমাৰাৰ ফকিৰগঞ্জ হাজিৰহাট এই গোটেই অঞ্চলটো সামৰি এটা স্পেচিফিক মেজৰ স্কীম হিচাবে হাতত লবলৈ টেকনিকেল এডভাইজৰী কমিটিৰ পৰামৰ্শ লোৱা হৈছে আৰু এইটো চেণ্টেল ওৱাটাৰ কমিচনলৈ পঠোৱা হৈছে।

## INFORMATION FURNISHED BY MINISTER

**Mr. Deputy Speaker :** Now, Hon'ble Minister, Power will furnish further information in respect of Question No. 3 regarding issue of licenses to Electricians fixed on 12. 7. 85

---

* ***Speech not Corrected***

* **Shri Abdul Muhib Mazumdar (Minister) :** Sir, three meetings of Electrical Licensing Board, Assam were held during 1984-85 and another 3 meetings were held in 1983-84 as per details below.

During 1984-85, the first meeting was held on 23.5. 84 the second meeting was held on 28.5.84 and the third meeting was held on 12.2.85. In the previous year, i. e. in 1983-84, there were three meetings, the first meeting was held on 19.5.83, the second meeting was held on 25.7.83 and the third meeting was held on 25.2.84.

* **Shri Binoy Khungur Basumatary :** Sir, whether in the sittings held in 1983, decisions were taken to issue licenses to the electricians ?

* **Shri Abdul Muhib Mazumdar (Minister) :** Sir, in these meetings they examine and scrutinise the applications and then on the basis of the applications licenses are issued.

## CALLING ATTENTION NOTICE

* **Shri Binoy Khungur Basumatary :** Sir, I beg to call the attention of the Minister, Health under Rule 54 of the Ruls of Procedure and Conduct of Business in Assam Legislative Assembly relating to "The incidence of Mening itis in the State of Assam and its effect on the population of the State, particularly on children : W.H.'s report on the subject."

* **Dr. Bhumidhar Barman (Minister):** Mr. Deputy Speaker Sir, Meningitis is a serious disease. The disease is marked clinically by sudden on set of high fever, intense headache, nausea and often vomiting, stiffness of the neck, photo phobia (dislike of light) and the pink or macular rash, sudden fall of blood pressure, shock, delirium and coma Meningitis complications are deafness, optic neuritls, polyar thritis and hydrocephalus.

W.H.O. has made the detailed study of this disease particularly on the matter of control and suggested that detection of one case

* *Speech not Corrected*

a week in one thousand inhabitants in the limited population should be regarded as a warning level. Acting on this warning level the following method of control should be resorted :

1) Prevention of over-crowding in living quarters,public transport, working places, colleges, hostels,cinemas.

2) Isolation of patients.

3) It is to be notified to Health Authorities.

4) Proper ventilation of the quarters.

5) Hospitalisation and treatment where necessary.

Fortunately however, meningitis has not broken out in epidemic form anywhere in Assam. Incidence of meningitis in the State of Assam in 1984-85 is shown below :

| | | |
|---|---|---|
| Cachar | 6 cases | 1 death |
| Nagaon | 14 cases | 6 deaths |
| Darrang | 8 cases | No death |
| G.M.C.H. | 55 cases | 2 deaths |

These are cases of meninitis of uncertain actiology and not of meningococcal meningitis.

Meningitis is an inflammatory affection of the membranes covering the brain and the spinal chord. This condition can occur as :

a) a primary disease, or

b) secondary to disease in some part of the body. Cause of meningitis : Every pathogenic organism is capable of producing this inflamatory disorder, though commonly it is caused by viral, tubercular or pyogenic organisms.

Viral is usually not fatal. Tubercular is usually a chronic disease and pyogenic menintitis commonly follows infection due to several

organisms of which meningococcal meningitis is an acute disease. There is a rapid onset of the disease, it has a fulminating course in some cases and large outbreak generates serious concern for meningitis in the community ( as in New Delhi in January, February, 1985 in Delhi Hospitals ). The disease is diagnosed by clinical picture and laboratory diagnosis of spinal fluid. Two striking features of this disease are (1) low morbibity and (2) high case fatality. However, with early diagnosis, application of modern therapy and supportive measures fatality rate is now reduced to 10%.

Epidemiology of meningococcal meningitis remains major problem. There are many unknown variables like various serotypes and so a combat strategy is difficult to establish. It is difficult to predict when and where the disease may strike and which serogroup will appear. The disease is more often transmitted by carriers than cases.

The introduction of antibiotics has dramatically altered the prognosis or effects of meningococal meningitis. The disease has not appeared in epidemie form in our State. Constant vigilance is kept to detect, diagnose and to folow it up by treatment. Our laboratories are geared up to detect and diagnose cases.

This is what I have to say, Sir.

* **Shri Binoy Khungur Basumatary :** Sir, is the Government aware that the incidence of malaria, meningitis as of the type mentioned by the Minister is there and there are 8 deaths is in my constituency and is the Government aware that there is a vaccine to control this maningitis ? As the Minister himself has stated that this maningitis affect the children primarily and the effect of this disease is permanent resulting in the damage of the brain, mental disorder etc. And this serious disease has come to Assam. I want to know what steps the Government are taking to control this dangerous disease.

* **Dr. Bhumidhar Barman (Minister) :** Mr Deputy Speaker sir, as

---

* ***Speech not Corrected***

regards the infidence in Udalguri area, one of our senior medical officers was sent to enquire into the cases and he reported that there were no such cases of maningitis in the area. Those cases might be malarial cases. The symptoms like high fever, headache etc. malaria has also high fever, headache. So those cases might be malarial cases, but anyway, Government is very much careful about it. As regards the vaccine, this is for preventing maningitis; in order to cure the fatal disease, this has not been used till now. So we will see and examine if we can introduce here in Assam.

* **Shri Binoy Khungur Basumatary** : Sir, Hon'ble Minister has already admitted in his statement that due to Meningitis there have been some deaths; mumber of deaths may not be very high, but he has already accepted that there were deaths. At the time of its appearance at Delhi recently, use of vaccine was started there to control the spread of this disease. After the disease was controlled there, the stock of vaccine has been lying ilde. Will the Hon'ble Minister take steps to bring this vaccine from Delhi for preventive use against maningitis as there is incidence of such disease in Assam already.

* **Dr Bhumidhar Barman (Minister)** : We will examine and we will see to it, sir.

Mr. Deputy speaker : Now Item No. 3 Shri Mohammad Ali. He is absent.

## MATTER UNDER RULE 301

Hon'ble members are aware that on 12.7.85, the notice under Rule 301 could not be disposed of and I assured the house that I would examine the matter and inform the House whether admitted notice was sent to the Government in time.

Hon'ble Member, Shri Binoy Khungur Basumatary tabled a notice under rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislaive Assembly based on a news item published in

---

* *Speech not Corrected*

"Mangal Batari" under the caption " উপায়ুক্তৰ কাৰ্য্যালয়ৰ নথি অন্তৰ্ধান" The Hon'ble Speaker admitted the notice and fixed 12th July for consideration in the House. Accordingly, Secretary. Assam Legislative Assembly sent the notice to the hon'ble Chief Minister Assam on 4.7.85 stating as following :

বিধান সভাৰ সদস্য শ্ৰীবিনয় খুংগুৰ বসুমতাৰীৰ পৰা পোৱা জাননীৰ এটি প্ৰতিলিপি লগত পঠিওৱা হ'ল। এই বিষয়টি অধ্যক্ষই গ্ৰহণ কৰিছে আৰু সদনত ১২।৭। ৮৫ তাৰিখে আলোচনা হ'ব। On receipt of the copy of the notice, the Deputy Secretary General Administration Department sent the notice to the Revenue (LR) Department on 6.7.85 stating as follows.

" **Revenue (LR) Department U.O**

**Sub** : Notice under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly regarding the disappearance of official records from the "Bakijai Section" in the office of D.C. Mangaldoi.

Enclosed please find the Memo. No. 208 (Q) LA. dated 4.7.85 (in original) received from the Secretary. Legislative Assembly Assam for taking necessary action from your end."

A copy of the letter was also sent to the Secretary, Legislative Assembly, Assam for information.

The Deputy Secretary, General Administration Department again wrote to the Revenue (LR) Department on 9.785 drawing their attention to earlier letter dated 6.7.85 about taking necessary action on the notice. A copy of the letter was sent to the Secretary, Legislative Assembly, Assam again on 9.7.85 and another copy of the letter was sent to the Deputy Secretary to the Government of Assam, Personnel (Parliamentary Affairs) Department for information.

From the above, it will be clear that Assembly Secretariat was informed twice about receiving and sending the notice under

301 to the appropriate Department and at no time. The Revenue (LR) Department informed the Assembly Secretariat about their inability to furnish materials for discussion on the matter on 12.7.85.

Now the concerned Hon'ble Minister will reply.

* **Shri Keshab Chandra Gogoi (Minister Revenue.)** : I agree that the concerned papers are with me. Then Sir, the matter is now pending before the Deputy Commissioner, Mangaldoi. I sent an officer also to him. He has come back with the report that the case will be disposed of as per law.

**Shri Binoy Khungur Basumatary** : The question was about the security in the office of the Deputy Commissioner and the particular reference was made about the disappearance of records of a particular person pertaining to a particular community. My question was about the disappearance of the records. The statement of the Hon'ble Minister that the case will be disposed of as per law is very separate than the question. I disposed before the House about the disappearance of the records. It does not clarify the position.I would request the Government to make the position clear.

* **Shri Keshab Chandra Gogoi (Minister, Revenue)** : According to the information I received, I felt that I will inform the house in detail when the case is disposed of.

## MOTION UNDER RULE 50

**Mr. Deputy Speaker** : Hon'ble Members Shri Binoy Khungur Basumatary supported by two other member has given a notice under Rules 50 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly and the Hon'ble Chief Minister has been pleased to agree under Rule 51 to discuss the matter today After item 3.

I hope this is a the approval of the House.

---

* *Speech not Corrected*

Now Shri Basumatary will speak.

* **Shri Binoy Khungur Basumatary** : Mr. Deputy Speaker, Sir, under Rule 50 of the Rules of Procodure and Conduct of Business in Assam Legislative Assembly, I wish to raise an issue of 4th June, 1985, regarding the states of Assam and Nagaland. This relates to an incident between the States of Assam and Nagaland. The Government of Assam has been contacted and the various newspapers of the States had been reporting on this incident and on hearing these incidents the tensions gradually started between the population of the two states living in the borders. Sir, the local press came to know all these facts. It is very reasonable for us to assume that the incident and the growing tension among the people of the area came to the knowledge of Intelligence Department. But even then this Government decided to sleep over the warning. Sir, the Government here in the State as well as in the Centre have been repeatedly given the warning by the press and local newspapers about the incident but it appears that both the States and Central Government did not give much importance on it. On the contrary, both the Centre and the States are always telling that there is peace in the borders. There is an understanding between the Government of Assam and Nagaland. Sir, we have found that even if the Central Government is ruled by a Congress (1), Nagaland by Cong (I) and Assam by Cong (1), this incident has taken place which is not less than a war. Sir, I wish to refer to certain reports of the press i.e. the Sunday, dated 7th to 13th July, 85, where it is reported that the Government of Nagaland more particularly some cabinet Ministers of Nagaland Government were actively involved in this hysteria. Sir, in this connection I would like to quote these press reports published in 'Sunday Magazine' dt. 7th to 13th July, 85. Sir from this it appears that Nagaland Government decided to wage a war against Assam. "The Nagaland Chief Minister S.C. Jamir told the State Assembly on 24th June that at no point of time did his council of Ministers

* *Speech not Corrected*

ever decide to fight a border war with Assam. Mr. Jamir's denial came after an allegation by Mr. Sentichuda of the Naga National Democratic Party who insisted that the State's forest minister Kariba Ao had said in a public meeting at Mokokchung on 5 June that the Nagaland cabinet decided the day before the Merapani incident to conduct operations against Assam. Replying to Mr. Sentichuba, Mr. Jamir said it was unthinand kable that a state should decide to fight a sister state urged opposition members to be more responsible while making allegations against the Government Mr. Kariba who was present in the house also denied having made a statement but Mr. Sentichuba still insisted that such a statement had been made in the public meeting at Mokokchung. Even after Mr. Kariba's denial, the leader of the opposition, Mr. Vamuzo stated that after Mr. Kariba's highly provocative statement, he had received two phone calls from Kohima informing him about the speech. Mr. Sentichuba admitted that he understood that the state cabinet never take such a decision but he wanted to know why Mr. Kariba made such a statements on 25 June when the no confidence motion against the Jamir Government came up for discussion. An NNDP member Mr. Vejoi Vergo congratulated Mr. Kariba for having publicly declared war on Assam. Another NNDP member Mr. Thinucho suggested that Mr. Kariba should hence forth be known as the war-monger Minister. Mr. Kariba was present during the furore and was seen smiling whenever his name came up.

If the NNDP members tried to extract political mileage out of the Merapani incident, the Chief Minister also whipped up local sentiments. Some of Mr. Jamir's statements were so provocative that it seemed that was challenging the Cong (I) high command which had directed chief Ministers of both Assam and Nagaland not to make explosive statements on the Merapani issue. At one point, Mr. Jamir referring to the heavy casualities on the Assam side during the clash said."We have taught them (the Assamese)

a lesson" and went on to add that "if Assam behaved like that again we will not hesitate to do so even in the future." The Chief Minister made it absolutely clear that the Sundaram Committee recommendations were not acceptable to Nagaland. Mr. Jamir said so far as his government is concerned the Sundaram Report is in cold storage. We have got nothing to do with it and we will never entertain it," Mr. Jamir said. He told the House that the Central Reserve Police Force personnel sided with the Assam Police. Mr. Jamir also congratulated the Nagaland police for their bravery and valour against the Assam police personnel who he said, had run away. Mr. Jamir denied that two BSF units had taken part in the clash along with the Nagaland police.

According to intellingence sources in Kohima, the Nagaland police were supported by some underground members belonging to the National Socialist Council of Nagaland. The sources based their claim on the fact that some Chinese weapons were used by the Nagaland forces which they could not have procured on their own. Although Mr. Jamir repeatedly described Assam as the aggressor in the clash no mention was made by him of a report that at least 1,000 village guards armed with daos and reached Merapani from Tuensang to fight the Assam police. The village guards strangely were met at Tuensang by the Deputy Commissioner Mr. Pandey who told them to return victorious from Merapani."

Sir, these things are known to us and whatever is stated in this Press Release is true to some degree. Sir, the Government of Assam have failed to give the names of the police personnels who have died. I had a discussion with a person who was there on the spot, himself, who narrated that he saw Assam Police personnels running way when they saw thousands of Nagas and Police Personnels are on the attack. Some of our police personnels were running in their underpants and we doubt that many of them are still hiding in their houses. Sir, in contrast to this the Nagaland

Assembly has taken great pleasure to the deaths of Assam Police Personnels, and the people of Assam. We do not know Sir, where do we stand ? Sir, it is clearly stated that the police personnels have abandoned their posts.

This Government is now trying to be free from their duties and failed to give punishment to those cowards who have failed to do their duties. Sir, there are many other aspects of the whole issue. We know that the Assembly in Nagaland have discussed over this question and accepted it as a moral and factual victory over the state of Assam. Sir, believe that the leader of the House has stated that we are not go in to deny all these because the Central Government who have bifurcated the State of Assam and responsible for creation of Nagaland and therefore finalisation of the border dispute between Assam and Nagaland is also the responsibility of the Central Government. Has the Central Government shown any inclination to decide over the boundary issue? Why has not the Central Government accepted Sundaram Commission's report because Sundaram Commission is not our doings, it is not the doing of Assam, it is the doing of Central Government. ? This Assam Government is always accepting whatever command is given by the Central Government. then for the interest of their state why they cannot standup now before the Central Government as such incidents have been repeated.

Sir, I would now go to the victims. Who are there? Sir, this is the Government of Assam who had ordered in 1971-72 that the people who had lost their land due to the abolition of Zaminadary in Goalpara they would go and settle on the border of Nagaland and Assam This order was issued by the then forest Minister of Assam. These are the tribal people who are living in border areas and they are the victims. Sir, after 1971 this is the most serious happening. There are three gaon panchayats as is known to us which have been affected now. One is Merapani Gaon Panchayat where 1400 families have been affected and (2)

Dayang Gaon Panchayat where 443 families have been affected and 443 houses have been burnt and the people involved are 2686. This is the field report in my hand which I collected only yesterday. The camp in-charge of the Doyang Gaon Panchayat, Sri S. Ahmed, E.A.C. of Jorhat had disputed this statement. Sir, this statement which is in my hand has been prepared by no less than a person who is a Councillor of the Panchayat and this councillor is nominated by the Government here. So, he is the man of this Government, nominated by the Government and his figures are disputed and ignored by the officer of this Government. Therefore, Sir I wish to recored that the incident that has happened between Nagaland and Assam is the result of a very serious conspiracy against the people of Assam and against the tribal people of Assam and against the Governments itself.

There is another Panchayat, called Tarani Gaon Panchayat. I have figures with me where G.C.I. sheets were distributed by the D.C. at Merapani which is at a distance of 14 k. ms. from the affected area. Sir, the people on this side of the border road from Merapani to Golaghat on the Assam Side have gone back because in the Dayangpar G.P. there are 2 BSF camps, but on the other side of the road is adjacent to the Nagaland where most of the tribals are there. In this Dayangpar G.P. there are a number of villages such as Pahartoli Gaon, Pubratapur Gaon and other villages. All these people have not been able to go to these places because this is under the disputed area and Nagaland has claimed this area. But the Government has said that everyone has gone back to their own places which is not correct. The people who have gone back to the camp in Dayangpar G.P. Camp is very negligible as they had not received adequate food and 8 persons died due to lack of medical facilities in this camp. I can give the names which are 1) Kandura Boro (2) Anjali Khaklari (3) Longke Gayari (4) Akhani Tanti (5) Mamani Basumatari (6) Loribala Brahma (7) Hajao Daimari (8) Murali Bania. These people died because they

were exposed to weather and climate and the Government failed to give any protection to them or medical facilities to those people. We do not want to know how much money has been wasted in getting G.C.I. sheets and we do not know whether all the building materials have gone to the really affected people.

We have also heard some complaint that now some of them want to take advantage of the situation and they have gone ahead to take shelter, I mean, they have gone ahead to register themselves as affected people. Sir these people are not actually affected due to this incident. Therefore, Sir, we have raised this issue before the House and we thank you for allowing us to give a notice and raise the issue. Sir, it is time that Government of Assam should come forward and clarify the issue. we hope Government will take the people of Assam and this House into confidence.

* **শ্ৰীহেমেন দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়,** এটা দুৰ্ভাগ্যজনক ঘটনাৰ বিষয়ে আমি সদনত আলোচনা কৰিবলগীয়া হৈছো। দুৰ্ভাগ্যজনক এই কাৰণেই কৈছো যে ভাৰতবৰ্ষৰ একেটা দলৰেই শাসিত দুখন প্ৰাদেশীক চৰকাৰৰ পুলিচ বাহিনীৰ মাজত যুদ্ধ। যুদ্ধ বুলি কৈছো এই কাৰণেই যে তাত দুয়োপক্ষৰ পুলিচ বাহিনীৰ মাজত গুলিয়া গুলী চলিল। কিন্তু এই ঘটনাৰ মাজত দুইখন প্ৰদেশৰ জনসাধাৰণ জড়িত হোৱা নাই। আৰু সেইটোৱেই হ'ল শুভলক্ষণ। ১৯৭৯ চনত যি ঘটনা হৈছিল আজি ১৯৮৫ চনত সেই ঘটনা হোৱা নাই । এইবাৰৰ ঘটনা হ'ল দুইখন ৰাজ্যৰ ৰাজ্যিক চৰকাৰৰ পুলিচ বাহিনীৰি মাজত হোৱা যুদ্ধ। কিন্তু এইটো এটা অতি গুৰুত্বপূৰ্ণ ঘটনা। এখন ভাৰতবৰ্ষৰেই দুখন প্ৰাদেশীক চৰকাৰৰ আৰু দুখন একেদলৰেই শাসিত অঞ্চলত তেওঁলোকৰ আদৰ্শ একেটা হ্ব লাগে কিন্তু অৱশ্যে আমি কব নোৱাৰো যে একেটা শাসক দলৰেই প্ৰত্যেকখন ৰাজ্যতেই বেলেগ বেলেগ আদৰ্শ থাকিব পাৰে সেইটো আমি নাজানো। আজি নগালেণ্ড চৰকাৰৰ বা অসম চৰকাৰৰ বা দিল্লী চৰকাৰৰ কিবা বেলেগ আদৰ্শ থাকিব পাৰে সেইটো আমি কব নোৱাৰো। কিন্তু ঘটনাই এইটো কৈছে আজি নগালেণ্ড ৰাজ্যত কংগ্ৰেছ (ই) চৰকাৰৰ মুখ্যমন্ত্ৰীৰ পুলিচ বাহিনীয়ে অসম ৰাজ্যৰ কংগ্ৰেছ (ই) চৰকাৰৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ পুলিচ বাহিনীৰ লগত যুদ্ধ কৰে তাত খাটাং-খুটুং কৰি কেতিয়াবাৰে পৰা গণ্ডগোল লাগি আছে। এই কাল ছোৱাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে কি কৰিছিল? আমাৰ চৰকাৰে কেন্দ্ৰৰ লগত যোগা-যোগ কৰিছিল নে

* *Speech not Corrected*

নাই মই নিবিচাৰো যে অসম পুলিচে বন্দুক বাৰুদ লৈ যুদ্ধ কৰক। কিন্তু নগালেণ্ড পুলিচৰ যি আক্ৰমণ সেইটো কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰিব লাগে। এই কৰ্তব্য খিনি পালন কৰা হৈছিল নে নাই এই কথাটো আমি অসম চৰকাৰৰ পৰা জানিব বিচাৰো। লগে লগে কিছুমান গুৰুত্ব দৃষ্টি আকৰ্ষিত হৈছে। সেয়া হৈছে কিছু বছৰৰ পৰা আজি ভাৰতৰ যিটো ঐক্য আৰু সংহতি সেইটো ক্ৰমে ক্ৰমে দূৰ্বল হৈ আহিছে। ২৮ মাহ বাদ দি ১৯৪৭ চনৰ পৰাই কংগ্ৰেছ দলে ভাৰতবৰ্ষ শাসন কৰি আহিছে। কংগ্ৰেছৰ এই সুদীৰ্ঘ শাসনৰ কালছোৱাত ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত ঐক্য আৰু সংহতি গঢ়ি তোলাত ব্যৰ্থ হৈছে। এই ঘটনাৰ সাক্ষ্য হিচাবে অকল নগালেণ্ডৰ ঘটনাই নহয় পঞ্জাবৰ আৰু গুজৰাটৰ ঘটনাই ইয়াৰ প্ৰমাণ দিয়ে। অকল এয়ে নহয় বিভিন্ন গোষ্ঠীৰ আজি দণ্ড বিৰোধীতাৰ সৃষ্টি হৈছে। এইটো জাতীয় ঐক্যতাৰ অনুকূলে নহয় ই জাতীয় ঐক্যৰ প্ৰতিকূল যোৱাহে সূচায়। কিয় আজি এই প্ৰতিকূল অৱস্থা হ্বলগীয়া হ'ল নিশ্চয় ইয়াৰ এটা ৰাজনৈতিক কাৰণ আছে আৰু অৰ্থনৈতিক কাৰণও আছে। এটা কথা আমি আগতেই দেখিছো সেইটো হ'ল ফিজোৰ নেতৃত্বত সাম্ৰাজ্যবাদৰ সহযোগী এখন সাৰ্বভৌম ৰাষ্ট্ৰ গঢ়ি তোলাৰ চেষ্টা কৰিছিল। এই চেষ্টা ১৯৪৭ চনৰ পৰাই চলি আছে। আৰু তেতিয়াৰ পৰাই জনসাধাৰণৰ মাজত বহুখিনি অনৈক্যতাৰ কথা ওলাই আছে। কিন্তু এই সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নহ'ল। আৰু এই সম্ৰাজ্যবাদৰ বিৰুদ্ধে ব্যৱস্থা লোৱাত সম্পূৰ্ণৰূপে ব্যথ হৈছে বুলি কব লাগিব। নগা আৰু অসমীয়াৰ মাজত হাই কাজিয়া বা দণ্ড হোৱা কথাটো আমি কোনো দিনেই ভাবিব পৰা নাছিলো। কিন্তু কি হৈ গ'ল। অত্যন্ত দুখলগা কথা এই ঘটনাৰ কেইদিনমানৰ পাচতেই নগালেণ্ডৰ সীমান্তত থকা শিৱসাগৰৰ এজন বুঢ়া মানুহে মোক কলে যে নগা সকলে বহুদিন ধৰি আমাৰ ইয়ালৈ আহে, পাণ বিক্ৰি কৰে আৰু আমাৰ ইয়াৰ পৰা চাউল লৈ যায়। এইদৰে ব্যৱসায় কৰি খাই আছিল। মুখ্যমন্ত্ৰীৰ একাংশ সোনাৰী সমষ্টিৰ পৰা আন একাংশলৈ এই অঞ্চলত নগা সকলে হাট বজাৰলৈ আহিছিল, পাণ বিক্ৰি কৰিছিল, ধান কিনি নিছিল, কিন্তু এতিয়া এই বিলাক সকলো বন্ধ হৈ গ'ল। দুয়োপক্ষৰ মানুহে যুগ যুগ ধৰি দুইখন ৰাজ্যলৈকে অহা যোৱা কৰি আছিল। হঠাৎ নগালেণ্ড আৰু অসমৰ মাজত কাজিয়া হৈ গ'ল। মানুহজনে কলে যে তেওঁক সীমান্ত পুলিচ লাগে। কিন্তু মই কলো যে পুলিচেতো তোমাক ৰক্ষা কৰিব নোৱাৰে। গতিকে নগা লোকৰ লগত মিলিজুলি বসবাস কৰা মানুহজনে কলে যে বুঢ়াসকলৰ পৰা কোনো ধৰণৰ বাধা নাই। কিন্তু এই নতুন চামৰ পৰাহে যন্ত্ৰণা ভূগীব লগীয়া হৈছে। এই যুবক সকলৰ উগ্ৰ জাতীয়তাবাদ অকল ইয়াতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতেই প্ৰচাৰ হৈ আছে। আমি অসমত নিজেই এই যুবক উগ্ৰ জাতীয়তাবাদী সকলৰ বলি হৈছো। আমাৰ ইয়াৰ যুবক সকলৰ যি উগ্ৰ জাতীয়তাবাদৰ আদৰ্শ সেইটো আমাৰ আশে-পাশে থকা জনজাতীয় সকলৰ মাজলৈ ক্ৰমাত বৃদ্ধি পাই গৈ আছে। ইয়াৰ বিৰুদ্ধে সংগ্ৰামৰ যি নেতৃত্ব লব লাগিছিল সেইটো লোৱা নহ'ল। সীমান্তৰ বুঢ়া মানুহজনে কলে

যে বুঢ়া বিলাকৰ লগত আমাৰ একো নাই কেৱল ল'ৰা বিলাকৰ কাৰণেহে অসুবিধা হৈছে। পুলিচৰ দ্বাৰা শান্তি ৰক্ষা কৰিব সেইটো বাদ দি মানুহৰ লগত যুগ যুগ ধৰি থকা মধুৰ সম্পৰ্ক ৰক্ষা কৰিব লাগে, সেইটোহে চাব লাগে। কেন্দ্ৰীয় চৰকাৰে এই বেপাৰটো বন্ধ কৰিব লাগে। কিয়নো এখন ৰাজ্য সৃষ্টি কৰাৰ পাচত এইদৰে একাধিক বাৰ আন আন ৰাজ্যৰ সৃষ্টি কৰিছে। আৰু যিদিনাখনৰ পৰাই এই ৰাজ্যৰ সৃষ্টি হ'ল সেইদিনাখনৰ পৰাই সীমা বান্ধি দিব লাগে। তাৰ পাচত আকৌ কমিচনৰ কি প্ৰয়োজন । ৰাজ্যৰ সৃষ্টি হোৱাৰ পাচত আমি দেখিছো যে দুয়োখন ৰাজ্যৰ মাজত বাই পাৰ্টি বা ত্ৰিপাটিৰ মিটিং হয়, দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা হয়, এইদৰে তিনিখন ৰাজ্য সৃষ্টি হোৱাৰ পাচত এই আলোচনা বিলাক হৈছে। কিন্তু মুখ্যমন্ত্ৰীয়েতো এই প্ৰদেশ বিলাক সৃষ্টি কৰা নাই । বৃটিচৰ পৰাই উত্তৰাধিকাৰী হিচাবে পোৱা কেন্দ্ৰীয় চৰকাৰে এই যিটো বিভেদ নীতি লৈ আছে ভাগে ভাগে ৰাজ্যৰ সৃষ্টি কৰিছে, ফলত চাৰিওফালে হাহাকাৰৰ সৃষ্টি হৈছে, ভাইয়ে ভাইয়ে কাজিয়া কৰিছে। কিছুদিন আগতে কাকতত ওলাইছে যে অসমীয়াক নগালেণ্ড ত্যাগ কৰিবলৈ কৈছে আৰু ইতিমধ্যে বহুতো অসমীয়াই নগালেণ্ড ত্যাগ কৰি গুছি আহিছে। আজি নগা পাহাৰ বিশেষ নহয়। ভাৰতবৰ্ষৰ মাজৰেই এখন প্ৰদেশ এইবিলাকৰ কেৰোণটো ক'ত সেইবিলাক আজিও উলিয়াব পৰা নাই অথচ এইখন ভাৰতবৰ্ষতেই যিকোনো ঠাইত ভাৰতীয় নাগৰিকে চাকৰি বাকৰি কৰিব পাৰে, বেহা-বেপাৰ কৰিব পাৰে অৱশ্যে জনজাতীয় লোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে মাটি সংৰক্ষণ কৰিছে সেইটো সুকীয়া কথা। গতিকে এইবিলাক বিষয়লৈ বিশেষ চকু দিব লাগিছিল। আজি অসমৰ কোনোবা ঠাইত নগা মানুহ বেচি কাৰণে সেইখন ঠাই নগাই দাবী কৰিব, মানকাচাৰত মুছলমান বেচি কাৰণে বাংলাদেশত পৰিব সেইদৰে আমাৰ কোনোবা ঠাইত বঙালী মানুহ বেচি কাৰণেই সেইখন বেলেগ ঠাই হব আকৌ নগাপাহাৰৰ কোনোবা ঠাইত অসমীয়া মানুহ বেচি কাৰণেই সেইখন অসমৰ ভিতৰত হব সেইটো কেনেকৈ হব পাৰে। গতিকে সেই কেৰোণ বিলাক আমি চাব লগা হৈছে। তাত গণ্ডগোল হোৱাৰ কাৰণে ৰিলিফ দিছে চাউল, টিনপাত দিছে সেইটো দিবই লাগিব। কিন্তু এইদৰে ৰিলিফ দি থাকিলে জানো সমস্যা সমাধান হব। গতিকে এই সমস্যা সমাধানৰ কাৰণে সাংবিধানীক ভাবে চেষ্টা কৰিব লাগিব। নগালেণ্ডৰ জনসাধাৰণৰ লগত অসমৰ জনসাধাৰণৰ যি মধুৰ সম্পৰ্ক আছিল। সেই সম্পৰ্ক আৰু মধুৰ কৰিব লাগিব। আজি পুলিচ বাহিনীৰ মাজত সংঘৰ্ষ হোৱাৰ কাৰণে পুলিচ কৰ্ম্মচাৰী পলাই আহিছে তেওঁলোকতো আৰু আৰ্মি নহয়, ইউনি ফৰ্ম এৰি গুচি আহিছে লগতে ৰাইজকো লৈ আহিছে। তেওঁলোকৰ লগত যুদ্ধ কৰাৰ কাৰণে আমাৰ পুলিচ বাহিনীতো সৈন্য বাহিনী নহয়। গতিকে আজি অসম চৰকাৰক কও, মুখ্যমন্ত্ৰীকো কও অতি সোনকালেই যেন

কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ে যোগা-যোগ কৰি স্পষ্টভাৱে মীমাংসাৰ এটা সিদ্ধান্ত লব লাগে। কাৰণ এই নগালেণ্ড কেনে ধৰণে গঠন হ'ল। ১৯২৫ চনৰ নোটিফিকেচন চাবলগীয়া হৈছে। আমি প্ৰাইমাৰী স্কুলত থাকোতে নগালেণ্ড অসমৰ ভিতৰত থকা অৱস্থাত আমি শিৱসাগৰ জিলাৰ মেপ আকিছিলো, সেইবিলাক মেপটো এতিয়া আমাৰ হাতত আছে। কিন্তু কথা হ'ল কেন্দ্ৰীয় চৰকাৰৰ ৰাজনৈতিক সৎ উদ্দেশ্য থাকিব লাগিব। আজি এই ঘটনা সমূহৰ দ্বাৰ প্ৰমাণিত হৈছে যে তেওঁলোকৰ ৰাজনৈতিক সৎ উদ্দেশ্য নাথাকিলে এই সীমা বিবাদ সমূহৰ আশু সমাধান আশা কৰিব নোৱাৰি।

**মাননীয় উপাধ্যক্ষ** ঃ এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ কথাটো এনে ধৰণে কোৱাটো উচিত নহব।

* **শ্ৰীহেমেন দাস** ঃ আমি দুয়োখন ৰাজ্যৰ মাজত কাজিয়া হোৱাটো কেতিয়াও নিবিচাৰো। আমি বিচাৰো এনেকুৱা ঘটনা যাতে ভবিষ্যতে পূৰ্বাঞ্চলত হব নোৱাৰে তাৰ কাৰণে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়েই চেষ্টা কৰিব লাগিব। আমাৰ এই অঞ্চলত সীমাৰ নিষ্পত্তি সোনকালেই লাগে যাতে কেতিয়াও এইদৰে জন-সাধাৰণৰ মাজত, পুলিচ বাহিনীৰ মাজত সংঘৰ্ষ হব নোৱাৰে। আজি আমাৰ মানুহ কোনো কাৰো ৰাজ্যলৈ যাব নোৱাৰে। নগালেণ্ডৰ মানুহো আমাৰ ইয়ালৈ আহিব নোৱাৰে আৰু আমাৰ মানুহো নগালেণ্ডলৈ যাব নোৱাৰা অৱস্থা হৈছে। যাৰ কাৰণে দুখীয়া জনসাধাৰণ অতিকৈ ক্ষতিগ্ৰস্ত হৈছে। জনসাধাৰণৰ এই কাজিয়াৰ ফলত অসীম দুখ কষ্ট হৈছে। এইবিলাক দুখ-কষ্ট জনসাধাৰণৰ কাৰণে নাইকীয়া কৰিব লাগিব। আমাৰ মাজত কোনবিলাক শক্তিয়ে কাম কৰি আছে আমি জানো। শ্ৰীফিজো ইংলেণ্ডত আছে। কাৰ পইচাৰে খাই আছে আমি এইবিলাক কথা জানো। কিছুমান দলে ভাৰতবৰ্ষ খণ্ড খণ্ড কৰিব বিচাৰিছে বুলি কৈ আহিছে কিছুমান দলে। কিন্তু একে চৰকাৰৰ মাজত সমস্যা জীয়াই ৰখা হৈছে কিয় ? এইখন কাজিয়া যুগ যুগ ধৰি চলি আহিছে, আৰু সমস্যা সমাধান নকৰিলে যুগ যুগ ধৰি চলি থাকিব। মই বেচি দিনৰ আগলৈ নেযাও। এইবিলাক সীমা বৃটিছে দিয়া সীমা। সীমা সদায় একে নাথাকে। ৰজা সবল হলে সীমা বাঢ়ি যায় আৰু ৰজা দুৰ্বল হলে সীমা চাপি আহে। ৰাজেশ্বৰ সিংহৰ দিনত আমাৰ সীমা বহুতলৈকে বাঢ়ি গৈছিল। এই বৃটিছে দিয়া সীমাৰ কাৰণেই আমাৰ মাজত সীমা বিবাদ বহুত বছৰ ধৰি চলি আহিছে। এইটোৰ আশু সমাধান হোৱাটো আমি বিচাৰো। যিবিলাক আৰক্ষী বাহিনীৰ ডেকা ল'ৰা মৰিল সেই বিলাকৰ নামৰ তালিকা আমাক দিব লাগে। নগালেণ্ডৰ যিবিলাক আৰক্ষী বাহিনীৰ ল'ৰা মৰিল সেইবিলাকো ভাৰতৰে ল'ৰা। এই ধৰণৰ দুখজনক ঘটনা যাতে ভবিষ্যতলৈ নহয় তাৰ কাৰণে সমস্যাটোৰ আশু সমাধান কৰিব লাগে। আৰু যিবিলাক

* *Speech not Corrected*

ল'ৰা মৰিল সেই সকলৰ কাৰণে কি ধৰণৰ সাহায্য দিয়া হৈছে সেইটো আমাক জানিবলৈ দিব লাগে। আৰু এটা কথা দেখা গৈছে যে আই পি এচ বিষয়া সকল বেটেলিয়নত থাকিব নিবিচাৰে। কথাটো কি আমি জানিব নোৱাৰো। সকলোৱেই পোষ্টিং জিলাত বিচাৰে। বেটেলিয়নলৈ দিলেই যি কোনো প্ৰকাৰে খাতি-খুটি জিলালৈ গুচি আহে। গতিকে মই ভাবো যে বেটেলিয়নত আই এচ বিষয়া অকল একোটা নিৰ্দিষ্ট সময় থকাটো নিয়ম কৰি দিব লাগে। এইদৰে বিষয়া সকল তাত নথকাৰ কাৰণে কনিষ্টবল সকলৰ প্ৰশিক্ষণ ভাল ধৰণৰ নহয় বুলি আমাৰ ধাৰণা হৈছে। মই চৰকাৰক কব বিচাৰিছো যে এইবিলাক কাম খাটিৰ-বটিৰত কৰিব নালাগে। অসম আৰু নগা ৰাইজৰ মাজত যুগ যুগ ধৰি থকা ঐক্য সম্প্ৰতি অটুট থাকক ইয়াকে কামনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্ৰীচন্দ্ৰধৰ কলিতা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম আৰু নগালেণ্ডৰ সীমাৰ সম্পৰ্কত যিটো ঘটনা ঘটিল সেইটো সচাঁকৈয়ে লাজ লগা ঘটনা লগতে এইটো এটা নাটকীয় ঘটনা বুলিও কব পাৰি। নাটকীয় এই কাৰণেই কব বিচাৰিছো যে নাট্যকাৰে কল্পনাৰ আলম লৈ নাট লিখে। আজি সীমাৰ সম্পৰ্কত যিটো ঘটনা হৈ গল বাহিৰত এই কথা বিশ্বাস কৰিবলৈ টান পাব। একেখন দেশৰ মাজতে একেটা পাৰ্টিৰ চৰকাৰৰ মাজতে যি সংঘৰ্ষ হ'ল, যাৰ ফলত বহুত মানুহ গৃহহীন হ'ল, বহুত মানুহ মৰা পৰিল এইবিলাক কেনেকৈ সম্ভৱ হব পাৰে? কিন্তু যিটো বিক্ষিপ্ত ঘটনা হৈ গ'ল সেইটো মই হঠাতে হোৱা বুলি কব নোখোজো। ইয়াৰ পটভূমি আছে। এই ধৰণৰ ঘটনা হব বুলি আমাৰ যিবিলাক ইনটেলিজেন্স ব্ৰান্স আছে সেই বিলাকে জনাৰ প্ৰয়োজন আছিল। কিন্তু তেনে ধৰণৰ কোনো ইঙ্গিত আমি পোৱা নাই। আমি জানো যে স্বৈৰাচাৰী শাসন চলাই থাকিবলৈ হলে দেশখনক খণ্ড খণ্ড কৰি, ইটো গোষ্ঠিৰ লগত সিটো গোষ্ঠিৰ বৈৰিক সম্পৰ্কৰ বীজ সোমোৱাই দিব লাগিব। ইয়াৰ কাৰণ হৈছে নগালেণ্ড বিধান সভাত সীমা সম্পৰ্কত শ্বেত পত্ৰ প্ৰকাশ কৰিছে। এইবিলাক কথা আমাৰ মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই উল্লেখ কৰিছে। অসম চৰকাৰ তথা অসমৰ মুখ্যমন্ত্ৰীয়ে আমাক এইবিলাক কথা স্পষ্ট ভাৱে জনাৰ পৰা বিৰত ৰাখিছে।

প্ৰচাৰৰ মাধ্যমত, ৰেডিঅৰ মাধ্যমত জানিব পাৰিছিলো যে বিশেষ অধিবেশনৰ মূল এজেন্দাত থাকিব নাগালেণ্ড সমস্যালৈ, বান সমস্যালৈ, অথচ কাৰ্য্যসূচীত তেনেধৰণৰ একো নাছিল। আজি আমাক এইটো অনুগ্ৰহ কৰা বুলি কব লাগিব। ই অনুগ্ৰহ নহয়, ন্যায্য কথা আছিল। বিধান সভাৰ মজিয়াত বিধায়কসকলে বিষয়টো ইয়াত উত্থাপন কৰি নিজৰ মতামত ব্যক্ত কৰি সমস্যাটো সমাধান কৰাৰ কাৰণে মুক্ত আলোচনা কৰাৰ কাৰণে কৃপনালি চলিল। সেই কাৰণে মই কব লাগিব আজি সাধাৰণ মানুহৰ তেজৰ বিনিময়ত, জীৱনৰ বিনময়ত,সা-সম্পত্তিৰ বিনিময়ত কিবা এটা ৰাজনৈতিকি খেল নেকি? আজি ভাৰতৰ বিভিন্ন প্ৰান্তৰ, জাতি গোষ্ঠীৰ, ধৰ্মৰ মানুহে মিলি যোৱাৰ যি এটা প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়া ব্যাহত কৰি আৰু তৎক্ষণাত চকু পানী টোকাৰ এটা চক্ৰান্ত নেকি? এইবিলাক কথা আমাৰ নিচিনা মানুহে বুজিবলৈ টান পায়। যদি এনেকুৱা এটা পৰিস্থিতিৰ

---

* *Speech not Corrected*

উত্তৰ হৈছিল তেন্তে দেশৰ মানুহে কিয় একো গম নাপালে? সময়ে সময়ে আমি শুনিবলৈ পাওঁ পাকিস্তানৰ পৰা আমাৰ যি ভয় হৈছে। কিন্তু সীমা মুৰীয়া ৰাজ্য দুখনৰ মাজত যে এনেকুৱা এটা প্ৰক্ৰিয়াৰ উত্তৰ হ'ল, এই সম্পৰ্কত একো নাজানিলে হঠাৎ ভূমিকম্পৰ নিচিনা বস্তু এটা হল। ভূমিকম্প, বানপানী হ'লেও আগজননী পাওঁ, অথচ এই সীমা-মূৰীয়া ৰাজ্য দুখনৰ মাজত হোৱা ঘটনা সম্পৰ্কত একো নাজানিলে, এই বিলাক সাংঘাতিক ৰহস্যজনক কথা। এতিয়া আমি এই সম্পৰ্কত মুখ্যমন্ত্ৰীৰ বক্তব্য কি তাক জানিব খোজো। লগতে এই ঘটনাত কিমান বিষয়া, সাধাৰণ মানুহ মৰিল আৰু কিমান গৃহহাৰা হ'ল, ক্ষয়-ক্ষতি হ'ল এই আটাইবিলাকৰ তথ্য সদনৰ মজিয়াত দাঙি ধৰিব লাগে আৰু সেইবিলাকক সাহায্য দিয়াৰ কাৰণে, সকাহ দিয়াৰ কাৰণে কি আগবঢ়াইছে আৰু মৃত পৰিয়ালবিলাকৰ সম্পৰ্কত কি কৰিব, এই সম্পৰ্কে মতামত দাঙি ধৰিব লাগে। এটা কথা মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিম যে ১৯৭২ চনত এখন চুক্তি হৈছিল, ১৯৭৯ চনত এখন চুক্তি হৈছিল, সেইমতে সংৰক্ষিত বনাঞ্চল ৰখাত উভয় দেসৰ মাজত সিদ্ধান্ত হৈছিল। সেই সিদ্ধান্ত সম্পৰ্কত তেখেতে স্বীকাৰ কৰিছে তাত বসবাস কৰা মানুহ আছিল। তেখেতে বস্তুটো মোৰ বোধেৰে অলপ এৰাবৰ কাৰণে চেষ্টা কৰিছিল। সেইটো আগৰ চৰকাৰে কৰিছে যদিও তেখেতৰ ওপৰত দায়বদ্ধতা আহিছে। এনে ধৰণে কৈ অন্য পিনে নিয়াৰ চেষ্টা কৰা যেন অনুমান হয়। তেখেতে ভাবিব লাগিছিল সংৰক্ষিত বনাঞ্চল ঘোষিত এলেকাবিলাকত মানুহ ৰাখিব পৰা পৰিস্থিতি নাই, সেই সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত সেইবিলাকক নিৰাপদ ঠাইলৈ নিয়াৰ কিবা এটা প্ৰয়োজনীয়তা আছিল। কেন্দ্ৰত একে চৰকাৰ আছে, গতিকে যদি কিবা ব্যতিক্ৰম আছিল তেন্তে কেন্দ্ৰীয়ৰ লগত সময় মতে যোগা-যোগ কৰিব লাগিছিল। নগালেণ্ড চৰকাৰৰ লগত এইবিলাক যোগাযোগ কৰিব লাগিছিল। এইটো হয় এটা অদূৰদৰ্শিতা, নহয় হেমাহি। আলোচনা নকৰাৰ কাৰণে মানুহৰ ক্ষয়-ক্ষতি হল। দুইখন সীমামূৰীয়া ৰাজ্যৰ মাজত অগ্ৰগতিৰ পথত ঐক্যৰ প্ৰয়োজন আছে। কিন্তু এই দুই ৰাজ্যৰ মাজত শত্ৰুৰ ৰাজ্যৰ লগত লগাৰ দৰে তুমুল যুদ্ধ হল। এই সম্পৰ্কত তেখেতৰ মতামত কি ? আন এটা কথা হল। কেন্দ্ৰৰ ওচৰত তেখেতে কেনেকৈ দৃষ্টি গোচৰ কৰিছে বা হেচাঁ দিছে, সেই সম্পৰ্কে কব লাগে। নগালেণ্ড চৰকাৰে এটা শিক্ষা দিয়া বুলি ঘোষণা কৰিছে। সচেতন ভাবে বা অজানিত ভাবে তেখেতৰ ভুল হৈছিল। কেন্দ্ৰত এক চৰকাৰ আছে, গতিকে যি ঘোষণা দিছে তাৰ প্ৰতিবাদ জনাব লাগিব। এই সম্পৰ্কত কি কাৰ্য্যকৰী ব্যৱস্থা লৈছে তাৰ এটা স্পষ্ট ধাৰণা থাকিব লাগিছিল। এই সলোবিলাক অক্ষমতাৰ কাৰণে ভাই ভাইৰ মাজত শত্ৰু দেশ এখনৰ লগত যুঁজ বাগৰ কৰাৰ দৰে যুঁজ বাগৰ হল। ইয়াত কি নিহিত আছে জনাব লাগে। সেই ইন্দিৰা কংগ্ৰেছ চৰকাৰে কি চাতুৰি কৰিছে সেইবিলাক বুজা কথা, তথাপি এই কথাৰ উত্তৰ পাম বুলি মুখ্যমন্ত্ৰী তথা অসম চৰকাৰক অনুৰোধ জনাই বক্তব্যৰ

সামৰণি মাৰিলো।

★ **শ্রীআফজালুৰ ৰহমান** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই মেৰাপানিৰর ঘটনা হয় সরকার পরিকল্পিত ভাবে সৃষ্টি করেছেন নতুবা সরকারের অবহেলার জন্য এই ঘটনা ঘটেছে। আসামের উতিহাস পর্য্যালোচনা করলে দেখা যায় যে এমন ঘটনা আসামে নতুন নয়। ১৯৭২ ইংতে অনুরূপ ঘটনা আসামে ঘটেছে। তখন আমি সবেমাত্র রাজনীতিতে নেমেছি। তখনো নাগালেণ্ডের সঙ্গেঁ সীমানা বিরোধ নিয়ে যে দুঃখজনক ঘটনা ঘটেছিল এই ব্যাপারে এই বিধানসভায় বলা হয়েছিল যে সরকার এ সম্পর্কে কিছুই জানতোনা। অর্থ্যাৎ সরকারের ইণ্টেলিজেন্স বিভাগ ফেল করেছিল। এটা কি সরকারের অবহেলা নয় ?

উপাধ্যক্ষ মহোদয়, আপনি জানেন দৈয়াং রিজার্ভের কাহিনী। এটা কি সেই ঘটনার পুনরাবৃত্তি নয় ? কিন্তু তখনো সরকারের সেই একই উত্তর ছিল যে তারা এ সম্পর্কে কিছুই জানতোনা। তারপরে আসুন নেলীর ঘটনার ব্যাপারে তখনো সরকারের একই কথা যে তারা জানতোনা যে এমন ঘটনা ঘটতে পারে। কিন্তু এই দুটা ঘটনার ব্যাপারেই খবর কাগজে বেরিয়েছে যে গোয়েন্দা বিভাগ সরকারকে এই ব্যাপারে আগেই অবগত করেছিল। কিন্তু এই নেলীর আতংক শেষ হতে না হতেই ৩/৪ দিনের মধ্যেই ডেরেকে অনুরূপ ঘটনা ঘট্‌লো। এই তিনিটি ঘটনাই আসাম সরকারের মর্য্যদা ক্ষুন্ন করেছে। পুলিশ পুলিশে যুদ্ধ হয়ছে বললে আমি মানবোনা কারণ এই পুলিশ আসামেরই সন্তান। দৈয়াং এর সাধারণ লোক দুর্বল ছিল বলে, তাদের কোনও সুযোগ সুবিধা ছিলনা বলে মানুষ আতংকগ্রস্ত এবং ফলে আসামের অনেক সন্তানকে আমরা সেদিন হারিয়েছিলাম। মাননীয় সদস্য শ্রীবিনয় বসুমতারী ঠিকই বলেছেন যে সরকার জানতো যে নাগাল্যাণ্ডের সংগে এই সীমানা নিয়ে আবার যে কোনও পরিস্থিত্রি সৃষ্টি হতে পারে। অথচ সরকার কোনও ব্যাবস্থা গ্রহণ করেনি। আর সরকার পক্ষ থেকে যদি বলা হয় যে সরকার এমন কিছু আগে থেকে জানতোনা তাহলে আসাম সরকারের গোয়েন্দা বিভাগকে সাফ করে দেওয়া দরকার। আর সরকারকে যদি এই বিভাগ খবর দিয়েছে তাহলে সরকারের এই অমার্জনীয় অবহেলার জন্য মুখ্যমন্ত্রী শ্রহিতেশ্বর শইকীয়া যেন এই মুহুর্তেই পদত্যাগ করেন। এই ঘটনাতো এমন নয় যে ৪০ বৎসর পর হঠাৎ ধুমকেতু এসে সব ধ্বংস করে দিল—সাধারণ মানুষ কেউই কিছু জানতোনা—প্রস্তুত ছিলনা। এতে প্রমাণ করে যে আসাম সরকার বর্ডারের সম্পর্কে মোটেই সচেতন নয়। আর একথা স্বীকার করতে সরকারের কেন এত দ্বিধা ? মহোদয়, সাধারণ মানুষ এরকম ঘটনায় মরে, ঘরছাড়া হয়, ৫/৬ হাজার টাকার টিনদেওয়া হয়, বক্তৃতা দেওয়া হয়— কিন্তু ইতিহাসে সরকারের মর্যাদা কোথায় থাকে ? মহোদয়, এজন্যই বলেছি যে পর পর এই

* *Speech not Corrected*

লজ্জাজনক ঘটনা আসাম সরকারের অবহেলার কথাই প্রমাণ করে।

উপাধ্যক্ষ মহোদয়, আপনার মাধ্যমে বার বার আমি মুখ্যমন্ত্রীকে অনুরোধ করবো যে যদি সরকারের গোয়েন্দা বিভাগ ফেল করেছে তাহলে এই বিভাগকে ভালকরে ধোলাই যেন দেওয়া হয় যাতে ভবিষ্যতে আর এমন অবহেলা না করে হয় আর যদি সরকারকে এই বিভাগ আগে থেকেই খবর দিয়েছে তাহলে তিনি যেন পদত্যাগ করেন। কারণ সাধারণ মানুষ প্রকৃত ঘটনা জানার জন্য উদগ্রীব হয়ে আছে।

* **শ্রীমথুৰা ডেকা** ঃ উপাধ্যক্ষ মহোদয়, আজি মেৰাপানীৰ যি সমস্যা সেই সমস্যা লৈ আমি আলোচনা কৰিম। মেৰাপানীৰ সমস্যা এটা জটিল সমস্যা। এইটো অকল কেই হাজাৰমান মানুহৰ দুৰ্ভাগ্যৰ কথা নহয়। এইদৰেই আমি অসমীয়া জাতিটোৰেই আজি নিচিহ্ন হৈ যাবলৈ উপক্ৰম । এইটো চিন্তাৰ বিষয় । সকলো সীমামূৰীয়া ৰাজ্যই আমাক আক্ৰমণ কৰিছে। মেঘালয়ে কৰিছে, অৰুনাচলে কৰিছে, বাংলাদেশে কৰিছে আৰু নাগালেণ্ডেও কৰিছে। আৰু এই বোৰৰ পৰাই বহুঠাইত যেনে জোনাইত, নৰ্থলক্ষীমপুৰত আৰু ধেমাজীত মাৰপিত হৈছে আমাৰ মানুহক মাৰিছে। বশিষ্ঠ ৰাস্তা আৰু এখন স্কুললৈ মেঘালয়ে গণ্ডগোল কৰি আছে, তেওঁলোকৰ বুলি দাবী কৰি আহিছে। এতিয়া আমাৰ মুখ্যমন্ত্ৰী মহোদয়েও প্ৰশাসন সুদৃঢ় কৰাৰ কাৰণে পুলিচ বিভাগ শক্তিশালী কৰাৰ এটা চেষ্টা কৰি আহিছে। যিখন অসমত এজন আই জি পি আছিল তাত আজি পাচজন আই জি পি হল। পুলিচ প্ৰশাসনৰ ওপৰ ভাগ গধুৰ হৈ উঠিছে। যাৰ কাৰণে প্ৰশাসনত বেমেজালি আহিছে। (ভইচ-বহুত বেছি হল)। দেশৰ সুৰক্ষাৰ কাৰণে পুলিচ বিভাগত মানুহ চাকৰিত মকৰল কৰিলে নে নিজৰ ৰক্ষাৰ কাৰণে কৰিলে এইটো চিন্তাৰ বিষয়। আমাৰ পুলিচ বিষয়া সকলৰ প্ৰমোচন হল। আই জি পি কৰিলে তেওঁলোকক, আমাৰ প্ৰশাসন শক্তিশালী কৰাৰ কাৰণে কৰিলে নে তেওঁলোকৰ মাতব্বৰিৰ কাৰণে কৰিলে? এইটো ঘটনা নঘটিলহেঁতেন যদি মেৰাপানীত থকা আমাৰ চৰকাৰৰ চি আই ডি বিভাগে আগতীয়াকৈ চৰকাৰক খবৰটো দিলেহেঁতেন। প্ৰত্যেক ক্ষেত্ৰতে যদি এনেকুৱাই হয় তেনেহলে কি হব ?

উপাধ্যক্ষ মহোদয়, শিৱসাগৰ অঞ্চলত এটা প্ৰচাৰ ওলাইছে যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ টাস্কফোৰ্চৰ মানুহবিলাকক মেৰাপানীত নিযুক্তি দি মাৰিলে আৰু সেইবিলাকৰ জাগাত নতুনকৈ মানুহ লবলৈ ব্যৱস্থা লৈছে। এই প্ৰচাৰটো সচানে নে মিছা মই নকওঁ, মন্ত্ৰী মহোদয়ে এইটো কাম কৰিবলৈ নেযায়। একোখন চৰকাৰ বা ৰাজ্য প্ৰচাৰৰ মাধ্যমতে চলি থাকে। এই প্ৰচাৰমাধ্যম যদি সচা হয় তেনেহলে অলপ দিনৰ পিচত আমাৰ বিধায়ক সকলক বাটত ধৰি কোবাব। এই পৰিস্থিতি আজি হৈছে। এনেকুৱা এটা কথাই সিদিনা হিন্দুস্থান টাইমচ কাকততো প্ৰকাশ পাইছে যে কৰিমগঞ্জইদি বহুতো বাংলাদেশী মানুহ আহি নগালেণ্ড সোমাইছে। এনে এটা

* *Speech not Corrected*

কথা শিৱসাগৰৰ মানহে প্ৰচাৰ কৰিছে যে কংগ্ৰেছ চৰকাৰে ভোটৰ কাৰণে বাংলাদেশৰ পৰা মানুহ আনি ভোটাৰ লিষ্টত ভৰাইছে। প্ৰচাৰ সমূহ মিছাই হওক বা সঁচাই হওক যদি তাক সময়মতে উলিয়াব পাৰে—তেতিয়া হলে সি গাঢ় হৈ উঠে কথাবোৰ মুখে মুখে হৈ পৰে, চৰকাৰৰ প্ৰতি জনসাধাৰণৰ বিৰূপ ভাব জাগি উঠে। কংগ্ৰেছ চৰকাৰে এই কথাটো ১৯৫২ চনৰে পৰাই কৰি আহিছে।

**মাননীয় উপাধ্যক্ষ ঃ আপুনি মেৰাপানীৰ ওপৰত কওক।**

* **শ্ৰীমথুৰা ডেকা ঃ** মই তাৰ ওপৰতেই কৈছো। বাংলাদেশী আহিয়ে আছে আৰু নগা হিলত সুমুৱাই দিছে। মুখ্যমন্ত্ৰী জমিৰেও এইদৰে বক্তৃতা দিছে আৰু কৈছে যে আমি অসমীয়াৰ ওপৰত অত্যাচাৰ কৰা নাই। নগা হিলত থকা বাংলাদেশী যিখিনি সুমুৱাই দিলে সেইখিনিৰ ওপৰহে উপদ্ৰৱ হৈছে। আমাৰ এচেম্বলী হোষ্টেলতো এটা কথা বৰকৈ ওলাইছে যে বহুতো নেপালী আহিয়ে আছে আৰু এই কথাটো কংগ্ৰেছী বিধায়ক সকলেই কৈছে আমাৰ দলে কোৱা নাই।

(ধ্বনি—তেওঁলোক ভাৰতীয়ও হব পাৰে........)

ভাৰতীয় নহয়। অসমৰ যি চেন্সাস সেইমতে দেশৰ জনসংখ্যা আঢ়ৈ কোটি বা দুই কোটি হব পাৰে আৰু মোৰমতে এইদেশখনৰ প্ৰায় ৭০ লাখ মানুহৰ নিৰাপত্তা নাথাকিব নেকি? এই মানুহখিনিক নিৰাপত্তা কিয় নিদিয়ে ? ঘৰৰ মুখিয়ালজন সোপাটিলা যদি হয় তেতিয়া পৰিয়ালটো বিছিন্ন হৈ যায়। একেদৰেই আমাৰ মুখ্যমন্ত্ৰীও যদি দুৰ্বল হয় তেন্তে আমাৰ চৰকাৰটো দুৰ্বল হব। সিদিনা কংগ্ৰেছ দলৰ এজন সদস্যই কৈছে যে মেঘালয়ে বশিষ্ঠলৈকে ৰাস্তা দখল কৰিছে। অকল কেইটামান পিলাৰ পুতিলেই ৰাজ্য এখনৰ সীমা নহব পিলাৰ পুতি সীমা কেতিয়াও নিৰ্দ্ধাৰণ কৰিব নোৱাৰে। আৰু ইয়াৰ সুযোগ লৈয়ে মানুহ আহি আছে। পিলাৰ নো কি ? আজি যদি দুই বজাত পুতি থৈ আহে কালিলৈ দুই বজাৰ আগেয়ে সেইটো উঠাই দিয়ে। গতিকে ৰাজ্যখনৰ সীমাটো নিশ্চিতভাৱে নিদ্ধাৰণ কৰিব লাগে। এয়া নহলে বৰ্ত্তমান যিটো যুৱশক্তি জাগ্ৰিত হৈ উঠি আহিছে সেই শক্তিৰ হাতত আমি নিচিহ্ন হৈ যাম। চৰকাৰৰ পতন কেতিয়া হব তাৰ একো ঠিক নাই। কেইখনমান সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ বাহিৰে পৃথিৱীৰ সকলোবিলাক ৰাষ্ট্ৰই এই শক্তিৰ হাতত হাৰি যাব কিয়নো এওঁলোকৰ চাকৰি নাই, জীৱিকাৰ কোনো সংস্থান নাই, যি বিচাৰে সেইটো পোৱা নাই । আমাৰ অসমতো এনে পৰিস্থিতি অতিসোনকালে হোৱাৰ সম্ভৱনা আছে। দৈনন্দিন নিবনুৱা ডেকাৰ সংখ্যা বৃদ্ধি পাই গৈছে। ডেকাসকলক জীৱিকাৰ মাধ্যম লাগে নহলে বিদ্ৰোহী হৈ উঠে বিদ্ৰোহৰ গতি কোন মুখে গতি কৰে বুজা নেযায়।

এই কথাবিলাক আমি চিন্তা কৰিব লাগে। অকল আমাৰ ৰাজ্যত কিছুমান পৰিকল্পনা ললেই

---
* ***Speech not Corrected***

কাম নহয়। সীমা বিবাদ নিষ্পত্তি নহলে আমি কেনেকৈ জীয়াই থাকিম। মেৰাপানী অঞ্চলত দলং আছে কিন্তু ৰাস্তা নাই। গড়কাপ্তানি বিভাগে তেনেহলে কি কাম কৰিছে? বিষয়াসকল কলৈ গ'ল ? দলং আছে ৰাস্তা নাই এইটো কেনেকৈ হবলৈ পালে? আমি দেখিছো যাৰ যি ইচ্ছা তাকে কৰি আছে। বিভাগীয় বিষয়া সকলেই দেশ চলাই আছে। তেওঁলোকেই অৱশ্যে দেশ চলাব লাগিব কিন্তু তেওঁলোকে ভুল তথ্য পৰিবেশন কৰি দেশখনৰ অন্যায় সাধন কৰিব নালাগে। তেওঁলোকে প্ৰশাসনযন্ত্ৰ মজবুত কৰিব বিচাৰিছে কিন্তু তাৰ পৰা বৰং বিশৃঙ্খলা বাঢ়িছেহে। প্ৰশাসনীয় বিষয়াৰ হেমাহীৰ কাৰণেই আজি মেৰাপানীৰ ঘটনা সংঘটিত হৈছে। আমি জানিব পাৰিছো তাত যিবিলাক অসম ৰাইফলচৰ মানুহ আছে তেওঁলোকৰ খোৱাপানীৰ ব্যৱস্থা নাই, তেওঁলোকৰ হাতত গুলী নাই। যদি গুলীয়াগুলী কৰিব পৰা গুলিয়ে নাছিল, খোৱা পানীয়ে নছিল তেওঁলোকে ৰক্ষা কৰিব কৰ পৰা। মোৰ ঘৰত অসম বেটেলিয়ানৰ দল আছে তেওঁলোকক যিখিনি ৰেচনৰ দৰকাৰ সেইখিনি সময়মতে নিদিয়ে। তেওঁলোকৰ যিখন টেণ্ট আছিল সেইখন ছিৰি গ'ল, বৰষুণত তিতি আছে তেওঁলোকক টেণ্টখন নিদিয়ে। সৰু বিষয়া সকলৰ ওপৰত বৰ বিষয়া সকলৰ মাতব্বৰী ক্ৰমে চলিয়ে আছে। এই মাতব্বৰী আতৰাব লাগিব। সৰু বিলাকে সদায়ে বৰ বিষয়াসকলৰ পৰা নিৰ্য্যাতন ভোগ কৰে। তেওঁলোকে চৰকাৰৰ ফালৰ পৰা অৰ্ডাৰ নাপালে একো নকৰে। এই বিষয়াসকলে কোনোদিনেই নিজে চাই-চিতি কাম নকৰে। নদী ভাঙি মথাউৰি ছিঙি গ'ল তথাপিতো বাননিয়ন্ত্ৰণ বিভাগৰ চকু নাই।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি মেৰাপানীৰ কথা কওঁক।

* **শ্ৰীমথুৰা ডেকা ঃ** মেৰাপানীৰ কথাই কৈছো। আপুনি কিয় অধৈৰ্য্য হৈছে। যদি কব লাগে মেৰাপানীৰ কথা হেজাৰবাৰ কৈ থাকিম। মই ভাবো দলৰ ভিতৰত সংশোধন হব লাগে। শাসক দলৰ যিসকল সদস্য তেওঁলোকৰহে বেছিকৈ সংশোধন আনিব লাগে কাৰণ তেওঁলোক একগোট হৈ শাসনৰ দায়িত্ব লব লাগে। তেতিয়াহে শাসন ভাল হব । শাসন চলিব কেনেকৈ? আজি এজন ই-এণ্ড ডিৰ এচ-ডি-অ' তেওঁ কংগ্ৰেছ কমিটিবিলাকৰ সদস্য। তেওঁ প্ৰায় বিলাক কংগ্ৰেছৰ মিটিঙতে উপস্থিত থাকে। প্ৰত্যেকেই যদি কংগ্ৰেছৰ সদস্য হয়, তেনেহলে তেওঁলোকৰ সাতগুণ মাফ। আজি কেইজনলোকৰ দেশাত্মবোধ আছে। এই ছাত্ৰ আন্দোলন ১৯৫০ চনতো চলিছিল। ১৯৭২ চনতো চলিছিল আৰু এতিয়া ১৯৭৯ চনত ই বৃহৎ ৰূপ ধাৰণ কৰিছে।

মাননীয় উপাধ্যক্ষ ঃ আমি এই বেলাতে এই বিষয়টো শেষ কৰিব খুজিছো। মাননীয় সদস্যসকলে সন্মতি জনাবনে ?

* **Shri Binoy Khungur Basumatary :** Sir, under Rule 50 under

* *Speech not Corrected*

which we brought the notice, 2½ Hrs discussion can be held. So, we request you Sir to give us the maximum time. As nothing has been specified as minimum, let it be maximum.

* **শ্ৰীমথুৰা ডেকা ঃ** আজি আমি জনাত মেৰাপানী সীমাতো জিগজাগ, তেৰা-বেকা, পোন বাট-পথৰ অভাব। সীমা চিধা কৰিবলৈ তেওঁলোকৰ মাটি বা আমাৰ মাটি এৰি দিব লাগিব। কেন্দ্ৰীয় চৰকাৰে আমাৰ সীমা লৈ খেলা চলাইছে। কেন্দ্ৰীয় চৰকাৰৰ এই খেলা আজিৰ নহয় বহুত দিনৰ পৰা চলি আছে। প্ৰতিটো ক্ষেত্ৰতে ব্ৰহ্মপুত্ৰৰ দলং, ৰেলৰ ব্ৰডগজ লাইন, অইল ৰিফাইনাৰি আদিৰ কাৰণে আমি আন্দোলন কৰিব লাগে। এতিয়া দেখিছো মেৰাপানীৰ কাৰণেও আমি আন্দোলন কৰিব লাগিব। অসমৰ জনমত লৈ কেন্দ্ৰীয় চৰকাৰক জনাই দিব লাগিব আমাৰ এই অৱস্থা কিয় হৈছে। কেন্দ্ৰীয় চৰকাৰে সুন্দৰম কমিটিখন গঠন কৰি দিছিল। সুন্দৰম কমিটিখনে ৰিপোৰ্ট দিলে ডিমাপুৰ অসমক দিলে, কিন্তু নগা ৰাজ্যই এৰি নিদিলে। আমি ডিমাপুৰ এৰি দিলো। কিন্তু এতিয়া আকৌ তেওঁলোকে এইখন কিয় নমনা হ'ল ? কেন্দ্ৰীয় চৰকাৰৰ ভিতৰতো দুটা দল আছে। এটা দল অসমৰ পক্ষে আনটো দল অসমৰ বিৰুদ্ধে। দিল্লী চৰকাৰৰো দুটা দল। এটা হ'ল কেন্দ্ৰীয় গৃহ দপ্তৰৰ সচিবসকল তেওঁলোকে গোপনে আছুৰ লগত আলোচনা কৰি থাকে। অসমৰো পৰিস্থিতি এনেকুৱা চৰকাৰ ভাঙিলে মুখে মুখে। চৰকাৰ ভঙ্গ কৰাৰ বাতৰি বিয়পাৰ পিচতে কোনো কৰ্মচাৰীয়ে কাম নকৰে। যোৱা আঠাইশ জুনতো চৰকাৰ ভাঙিলে, চাৰি জুনতো ভাঙিলে। যি দেখা যায় কেন্দ্ৰীয় চৰকাৰৰ গৃহ দপ্তৰৰ সচিব সকলে এই বিলাকৰ অৱতাৰণা কৰিছে। দিল্লীৰ পৰাই তেওঁলোকে এনেকৈ শাসন কৰি থাকে। প্ৰতিটো কথাতে যদি এনেকৈ চৰকাৰ ভঙাৰ আৱাজ দি থাকে তেনেহলে কাম হব ক'ৰ পৰা। সকলোৰে মুখে মুখে চৰকাৰ ভঙা কথা। তেনেহলে কাক মন্ত্ৰীসভাই অৰ্ডাৰ দিব। পাঁচ বছৰৰ মুৰত চৰকাৰ ভাঙে। মাজতো ভাঙিব পাৰে জ্বৰ নুঠে কিন্তু উঠাব পাৰে। মোৰ নিজৰ জ্বৰ। সাধাৰণতে নুঠেই কিন্তু আজি ৰব পৰা নাই। কাঁহ মাৰিলে বুকুখন বিষায়। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰ বিলাকক নচুৱাই আছে। আমাৰ মুখ্যমন্ত্ৰী সাতখন ৰাজ্যৰ চেয়াৰম্যান তাৰমানে উত্তৰ পূৰ্বাঞ্চলৰ চেয়াৰম্যান। অথচ, সেই কমিটিৰ চেয়াৰম্যানকো নামানে। অৰ্থাৎ ওপৰৰ কিবা হিণ্টচ আছে। আজি মেঘালয়, অৰুনাচল আদি ৰাজ্যক তেওলোকে উচটনি দি থাকে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি আৰু কিমান সময় কব ?

* **শ্ৰীমথুৰা ডেকা ঃ** এই ঘটনা সম্পৰ্কে কবলৈ আপুনি আমাক আগতে সময় নিদিলে সেই কাৰণে আমি ৰুল ৫০ত আপোনাৰ পৰা সময় বিচাৰি লৈছো। ২-৩০ মিনিট সময়। সেইখিনি

* ***Speech not Corrected***

সময়টো লমেই তাতকৈ বেছি হলেও হব পাৰে।

মাননীয় উপাধ্যক্ষ ঃ সদন বিয়লি ২-৩০ বজালৈ স্থগিত থাকিল - মধ্যাহ্ন ভোজনৰ কাৰণে।

**(মধ্যাহ্ন ভোজনৰ পিচত)**

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে এই সম্পৰ্কে সিদিনা ২৫ মিনিট সময় আলোচনা হৈ গৈছে আৰু আজিও এক ঘণ্টা চল্লিশ মিনিট ইতিমধ্যে আলোচনা কৰা হৈছে। এতিয়া সময় হাতত আছে মাত্ৰ পঞ্চাশ মিনিট। ইয়াৰ পৰা মাননীয় সদস্য সকলে মিলাই কব লাগিব।

* **শ্ৰীহেমেন দাস ঃ** উপাধ্যক্ষ ডাঙৰীয়া, আপুনি ভাগ কৰি দিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ত্ৰিশ মিনিট মুখ্যমন্ত্ৰীৰ উত্তৰৰ কাৰণে ৰাখিলে হাতত বিশ মিনিট থাকে ।

**(ভইচ ঃ মুখ্যমন্ত্ৰীৰ কাৰণে চল্লিশ মিনিট লাগিব)**

মুখ্যমন্ত্ৰীৰ উত্তৰৰ কাৰণে চল্লিশ মিনিট ৰাখিলে হাতত থাকিব মাত্ৰ দহ মিনিট। এতিয়া মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই কওক।

* **শ্ৰীমথুৰা ডেকা ঃ** উপাধ্যক্ষ মহোদয়, যোৱা ত্ৰিশ জুন তাৰিখৰ হিন্দুষ্টান টাইমচৰ এটা বাতৰি এই ভাবে প্ৰকাশিত হৈছে যে........ The State administrations have connived or promoted settlements in this region both by Nagas and hardy Muslim immigrants coming across the Indo-Bangladesh border near Karimganj and going up to the interior through Silchar and Lumding.

এই সন্দৰ্ভত আৰু এটা কথা লিখিছে যে মুখ্যমন্ত্ৰী জমিৰে লুথা সম্প্ৰদায়ৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ এনেকুৱা কাম কৰিছে আৰু তেনে ধৰণৰ বহু কথাই লিখিছে। এই দীৰ্ঘদিনীয়া গোলমাল চলি থাকিবলৈ দিব নালাগে। বহু বিলাক পৰিকল্পনাই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছে সেই ফালৰ পৰা এই সীমান্ত সমস্যাটোও অতি সোনকালে সমাধান কৰাৰ পৰিকল্পনা কৰিব লাগে। দৰকাৰ হলে বিবেচনা কৰি আমাৰ বিলাকৰ পৰাও পইচা সংগ্ৰহ কৰি হলেও এই সীমান্ত সমস্যা সমাধান কৰিব লাগে। বাংলা দেশত বৰ্ডাৰ নাই, ইয়াত বৰ্ডাৰ নাই। নানা ধৰণৰ ষড়যন্ত্ৰ চলি আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইন্দিৰা গান্ধীৰ দিনত ডাঙৰ সন্মান পাইছিল সেইটো

* *Speech not Corrected*

দিল্লীত বহুত বিষয়াই সহ্য কৰিব পৰা নাই। আমি অসমীয়া জাতি হিচাবে জীয়াই থাকিবলৈ হলে সেই চিন্তা ধাৰাৰে কাম কৰিব লাগিব। আজি কোনোটো সমস্যাই সমাধান হোৱা নাই। চিংমাং নগালেণ্ডৰ লগ কৰাৰ কাৰণে মৰ্চ্চা বাহিনী গঠন কৰি যুদ্ধ আৰম্ভ কৰা হৈ আছে। নৰ্থলক্ষীমপুৰ মহকুমাৰ বগানদী এৰিয়াতো বোকানৰা প্ল্যানটেশ্বন আৰম্ভ কৰাৰ সময়ত অৰুণাচলৰ বিষয়া সকলে বাধা কৰিছে। অৰুণাচলৰ লগতো কাজিয়া লাগিছে। নেফা সীমান্তত মুক্তি বাহিনী গঠন কৰি আমাৰ সৈতে যুদ্ধ দিয়াৰ কথাও শুনা গৈছে। এইবিলাক ঘটনা হৈয়েই আছে। মেৰাপানীতো ঘটনা চলি গ'ল। অসমীয়া জাতি হিচাবে জীয়াই থকাৰ কাৰণে এইবিলাক কথা শীঘ্রেই সমাধান কৰিব লাগে। পাক্কা কৰিব লাগে। নগালেণ্ড চৰকাৰৰ লগত যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল তাক অতিক্ৰম কৰা বুলি আমাৰ চৰকাৰক দোষাৰোপ কৰিছে। ৫৩ টা পুলিচ চকী আগুৱাই কৰা বুলি অভিযোগ কৰা হৈছে। আজি ষড়যন্ত্ৰ চলি আছে চাৰিওঁফালে। ভাৰতীয় বিমান এখন ধ্বংস কৰা হ'ল। এই সকলো বিলাকৰ মাজতে আমি অসমীয়া হিচাবে জীয়াই থাকিব লাগিব। আমি কমিউনিষ্টৰ ফালৰ পৰা কৰা সকলক কমিউনিষ্ট বুলি চিহ্নিত কৰো কিন্তু কংগ্ৰেছ দলৰ লোক সাত গুণ মাফ হয়। কেন্দ্ৰই আমাক সদায় মাহীআইৰ চকুৰে চায় আছে। জৱহৰলালৰ ডিচ্‌কভাৰি অব ইণ্ডিয়াৰ সময়ৰ পৰাই এনে ভাব চলি আছিল। গান্ধীৰ ৰাজত্ব কালত কিছু সকাহ দিয়া হৈছিল যদিও মৃত্যুৰ পিচত আকৌ আগৰ অৱস্থা হ'ল। আমাৰ সদনৰ মন্ত্ৰী সকলে প্ৰতিশ্ৰুতি দিও ভঙ্গ কৰে। আমি বিৰোধী দলৰ লোক কাৰণে আমাৰ কথাবিলাক গুণ নধৰিব। আমাৰ বেয়া কথাখিনি বাদ দি ভাল কথা বিলাক লব লাগে। কাৰ্য্যকৰী কৰাৰ কাৰণে চিন্তা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব খোজো যে আমাৰ চৰকাৰে কিছুমান অনা অসমীয়া বসতিপূৰ্ণ ঠাইত অসমীয়া ভাষা শিকিবৰ কাৰণে গ্ৰাণ্ট দিয়াৰ ব্যৱস্থা আছে। কিন্তু মই নিজে দেখিছো যে কিছুমান মিছিং হাইস্কুলত তেওঁলোকে অসমীয়া শিকিবলৈ বিচৰা স্বত্তেও তেওঁলোকক গ্ৰাণ্ট দিয়া নাই। আজি আমাৰ স্কুলবোৰত কৰ্ম অভিজ্ঞতাৰ নামত যিবোৰ ডলা-ছালনি উঠে সেইবোৰ বজাৰত বিক্ৰী হৈ আছে। গতিকে আমি বিৰোধী পক্ষই এই সদনত যিবোৰ চিঞৰ-বাখৰ কৰো সেইবোৰ চৰকাৰে অলপ চকু-কাণ দিয়া উচিত। যিবোৰ বেয়া কথা সেইবোৰ গ্ৰহণ নকৰিলেও যি দুই এটা গ্ৰহণযোগ্য পৰামৰ্শ দাঙি ধৰা হয় সেই পৰামৰ্শ চৰকাৰে কাৰ্য্যকৰী কৰিব লাগে। আজি আমাৰ সদনত যিবোৰ আই কংগ্ৰেছৰ সদস্য তেওঁলোক প্ৰায় ভাগেই নতুন চামৰ লোক। তেওঁলোকে ৪২ ৰ আন্দোলনত জেল খটা নাই। আমি কিন্তু ৪২ ৰ আন্দোলনত জেইল খাটি আহিছো। সেই কাৰণে অভিজ্ঞতা সম্পন্ন লোক হিচাবে দেশৰ আৰু দেশৰ জনসাধাৰণৰ স্বাৰ্থৰ হকে কিছু কথা আমি এই সদনত কওঁ। চৰকাৰে এইবোৰ কথা অৱহেলা কৰিব নেলাগে। সেই কাৰণে মেৰাপানীত হৈ যোৱা ঘটনা সম্পৰ্কে মই এটা কথাই

কওঁ যে আমাৰ চৰাকাৰে ভূমিহীন লোকক মাটি দিয়াৰ নামত তেওঁলোকক সীমান্তৰ বনাঞ্চললৈ নি বলি দিয়াৰ ব্যৱস্থা কৰিব নেলাগে। নগা ৰাজ্য আৰু অসম দুয়োখন আই কংগ্ৰেছ চৰকাৰ আনহাতে দিল্লীৰ কেন্দ্ৰীয় চৰকাৰো আই কংগ্ৰেছৰে। এনে ধৰণৰ এক আদৰ্শৰ এক দলৰ শাসনৰ মাজত ইখন ৰাজ্যই সিখন ৰাজ্য আক্ৰমণ কৰাটো পৰিতাপৰ কথা। ইয়াৰ অন্তৰালত কোনো ৰহস্য থকা যেন লাগে। এই খিনিকে কৈ মই সামৰণি মাৰিলো।

* **শ্ৰীঅলিত বড়ো** ঃ উপাধ্যক্ষ মহোদয়, মেৰাপানীৰ ঘটনাৰ বিষয়ে কবলৈ যোৱাৰ আগতে মই এটা কথা উল্লেখ কৰিব খোজো। আমাৰ এজন গায়কে এটা গান গাইছিল যে—" কামেং সীমান্ত দেখিলো, শত্ৰুৰ পশূত্ব চিনিলো, সেই মৃত মৌণ শত জোৱানলৈ মোৰ অশ্ৰু অঞ্জলী যাঁছিলো"। ঠিক তেনেধৰণে আজিৰ এই মেৰাপানীৰ ঘটনাও অতি বেদনাদায়ক, অতি মৰ্ম্মান্তিক আৰু অতি লোমহৰ্ষক । আজি আমাৰ চৰকাৰে সেই সম্পৰ্কে জ্ঞাত হৈও নিৰ্বিকাৰ হৈ বহি আছে। এই বিষয়ে সম্পূৰ্ণ তথ্যপাতি পোৱাৰ পিচতো চৰকাৰে একো তত্বাবধান লোৱা নাই। আমি প্ৰমাণ দিব পাৰো যে ১৯৭২ চনতে সুন্দৰম আয়োগ গঠন কৰা হৈছিল। এই আয়োগে অসম নগালেণ্ডৰ সীমা বিবাদৰ নিস্পত্তিৰ কাৰণে নিশ্চয় কিছুমান দিহা পৰামৰ্শ দিছিল। কিন্তু ১৯৭২ চনৰ পৰা আজিলৈকে কোনো এখন চৰকাৰেই এই সীমা বিবাদ নিস্পত্তিৰ কাৰণে আগবাঢ়ি অহা নেদেখিলো। ইয়াৰ মাজতে ১৯৭৯ চনৰ জানুৱাৰী মাহত ছুঙাজানত ঘটা লোমহৰ্ষক ঘটনাৰ পিচটো চৰকাৰে যি স্পষ্ট নীতি অবলম্বন কৰিব লাগিছিল, সেই নীতি অবলম্বন নকৰিলে। সেই কাৰণে মই চৰকাৰক এটা কথাই দাবী জনাব খোজো যে, সুন্দৰম আয়োগে যিবোৰ দিহা পৰামৰ্শ দি দুয়োখন চৰকাৰকে যি নীতি অবলম্বন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। সেইবোৰ অতি শীঘ্ৰে কাৰ্য্যত ৰূপায়িত কৰিব লাগে আৰু সেই আয়োগৰ যি লিপিবদ্ধ প্ৰতিবেদন তাক সদনত দাঙি ধাৰিব লাগে। আমি জনামতে সেই প্ৰতিবেদনত অসমৰ ৪ হেজাৰ বৰ্গ কিলোমিটাৰ অঞ্চল নগালেণ্ডৰ ভিতৰত সোমাই আছে। গতিকে অসম চৰকাৰে সেইখিনি মাটি উলিয়াই আনিবলৈ চেষ্টা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এইখিনিতে আৰু এটা কথা কও যে পূৰ্বতে আমাৰ যিখন অসম ৰাজ্য আছিল সেইখনৰ পৰা কেইবাখনো সৰু সৰু ৰাজ্য ফালৰি কাটি ওলাই আতৰি গ'ল। আমি এটা কথা মনত ৰাখিব লাগিব যে, তেওঁলোক যেতিয়া আমাৰ পৰা ফালৰি কাটি ওলাই গৈছিল তেতিয়া নিশ্চয় তেওঁলোক আমাৰ মাজৰ পৰা বন্ধু হিচাবে ওলাই যোৱা নাছিল। সেয়ে তেওঁ লোকক বন্ধু বুলি নেভাবি শত্ৰু বুলিয়েই ভাবিব লাগে। আৰু সকলোবোৰ ৰাজ্যৰ লগত এই সীমা বিবাদবোৰ সুস্পষ্ট নীতিৰে সুস্থিৰ ভাবে অতি সোনকালে নিস্পত্তি কৰিব লাগে। আজি নগালেণ্ডৰ লগত হৈছে, কালিলৈ মেঘালয়, অৰুণাচল প্ৰদেশ আদিৰ লগতো সীমাৰ বিবাদে তীব্ৰ ৰূপ ধাৰণ

কৰিব। সেয়ে এইবোৰ কথা এতিয়াই সিদ্ধান্ত লৈ লোৱা উচিত। আমি তেওঁলোকৰ লগত কেতিয়াও সমিলমিলেৰে থাকিব নোৱাৰো। ১৯৭৯ চনত হৈ যোৱা ঘটনাৰ পিচৰ পৰা আজিলৈকে আমাৰ ৫ টা চৰকাৰ গঠন হ'ল। কিন্তু এই ৫ খন চৰকাৰে অসম আৰু নগালেণ্ডৰ মাজৰ যি সামান্য সীমা বিবাদ তাকো নিস্পত্তি কৰিব পৰা নাই। মই এই সীমা বিবাদৰ ঘটনাক সামান্য বুলি এই কাৰণেই কব খোজো যে বৰ্তমান চৰকাৰে অসমত বিদেশী বহিষ্কাৰৰ নামত আজি ৫-৬ বছৰে হৈ থকা বিৰাট এটা আন্দোলনক অতি কম দিনৰ ভিতৰতে মষিমূৰ কৰি পেলালে। সেয়ে এই আন্দোলনৰ তুলনাত অসম নাগালেণ্ড সীমা বিবাদ অতি সামান্য, ইয়াক অতি সহজে শেষ কৰিব পৰা যাব।

উপাধ্যক্ষ মহোদয়, আপুনি এটা কথা জানে যে অসমত যিবোৰ জনজাতি লোক তেওঁলোক একে ঠাইতে বসবাস কৰি থাকিব নোৱাৰে। তেওঁলোকে সময়ে সময়ে এঠাইৰ পৰা সিঠাইলৈ ঠাই সলাই ফুৰে। এই কাৰণেই এই সীমা বিবাদত আমাৰ জনজাতি লোকসকলেই বেছিকৈ ক্ষতিগ্ৰস্ত হয়। ইয়াৰ আগতে আমাৰ শ্ৰীবসুমতাৰী ডাঙৰীয়াই মেৰাপানীৰ ঘটনাৰ সম্পৰ্কত যিবোৰ তথ্য-পাতি দাঙি ধৰিছে সেইবোৰৰ পৰা আমি এই ট্ৰাইবেল সকলেই আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হোৱা দেখিবলৈ পাইছো। এই ক্ষেত্ৰত আমাৰ চৰকাৰে কিছুমান সাহাৰ্য্য আগবঢ়াইছে। মানুহ মৰাৰ কাৰণে ইমান – টকা- ঘৰ জ্বলাৰ কাৰণে – ইমান টকা, গৰু-ছাগলীৰ কাৰণে – ইমান টকা ইত্যাদি সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে। কিন্তু এইখিনিতে চৰকাৰৰ এটা দৃষ্টি আকৰ্ষণ কৰিব খোজো যে আজি আমাৰ সীমা বিবাদৰ বিভিন্নকাৰণে সময়ত আমাৰ জনসাধাৰণ যিদৰে ক্ষতিগ্ৰস্ত হৈছে তাৰ ক্ষতিপূৰণ চৰকাৰে সাহায্য দি পূৰাব নোৱাৰে। যি সকল লোক তাত নিহত হ'ল তেওঁলোকো এই চৰকাৰৰেই সম্পত্তি। মই বিচাৰো তাত যি সকল ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকে যেন সঠিক ভাবে ক্ষতিপূৰণ পায় তাৰ প্ৰতি চৰকাৰে নজৰ দিব লাগে। সদৌ শেষত মই চৰকাৰক এটা কথাই অনুৰোধ জনাঁও যে এই চৰকাৰে অসমৰ সীমা বিবাদবোৰ নিস্পত্তি কৰিবলৈ আন্তৰিকতাৰে মনোযোগ দিব লাগে আৰু ইয়াক অতি সোনকালে নিস্পত্তি কৰিব লাগে।

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)** ঃ উপাধ্যক্ষ ডাঙৰীয়া, আজি এই সদনত বিৰোধী দলৰ মাননীয় সদস্য সকলে উত্থাপন কৰা প্ৰস্তাৱৰ সম্পৰ্কত বহুত কথাই আলোচনা কৰা হৈছে আৰু ইয়াত তেখেত সকলে বিভিন্ন দিশত সমালোচনা আগবঢ়াইছে। শ্ৰীবসুমতাৰী ডাঙৰীয়াই এটা অভিযোগ আনিছে যে সীমান্তত হৈ থকা ঘটনাবোৰৰ ক্ষেত্ৰত আমাৰ চোৰাংচোৱা বিভাগে খবৰ পোৱা নাছিলনেকি? প্ৰকৃততে কবলৈ গলে এই খবৰবোৰ বহু দিনৰ পৰাই আমি পায় আছিলো। মই সিদিনাখনো এই কথা কৈছিলো যে ১৯৬৩ চনত নগালেণ্ডৰ সৃষ্টি হোৱাৰ পিচৰ পৰা অসমৰ

* *Speech not Corrected*

৯খন বনাঞ্চলত তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিবলৈ তেওঁলোকৰ ফালৰ পৰা চেষ্টা কৰি আছিল। এইবোৰ সংক্ৰান্তত বহু ঘটনাই ঘটি গৈছে। এইবোৰৰ ওৰ পেলাবৰ কাৰণে ১৯৭২ চনত নগালেণ্ড আৰু অসম চৰকাৰে ইণ্টেৰিয়েম এগ্ৰিমেণ্ট কৰিছিল আৰু এটা কথা ভবা হৈছিল যে সুন্দৰম কমিটিৰ প্ৰতিবেদন পোৱাৰ পিচতেই এই আটাইবোৰ ঘটনাৰ সমাপ্ত হব। কিন্তু সেইখিনি এতিয়ালৈকে হৈ উঠা নাই। মাননীয় সদস্য সকলে এই আটাইবোৰ ঘটনাকে উল্লেখ কৰিছে। আমি সকলোৱে জানো যে ১৯৭১ চনত আমগুৰী এলেকাত অশান্তিৰ সৃষ্টি হৈছিল আৰু তাৰ ফলত কেইবাটাও ঘৰ জলিছিল আৰু ৰাইজো ক্ষতিগ্ৰস্ত হৈছিল। তেনেকৈ ১৯৭৯ চনৰ ৫ জানুৱাৰী তাৰিখে চুঙাজান এলেকাতো অশান্তিৰ সৃষ্টি হৈছিল আৰু তাতো ৪ জন লোক নিহত হৈছিল আৰু বহুতো ঘৰবাৰি জ্বলিছিল। আমি দায়িত্ব লোৱাৰ পিচত নগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ লগত এই কথাবোৰ আলোচনা হৈছিলো আৰু সিদ্ধান্ত লৈছিলো যে আমি সীমা বিবাদৰ কথাবোৰ খৰটকীয়া ভাবে বুজা-পৰাৰ মাজেৰে নিস্পত্তি কৰিব লাগে। মেৰাপানী অঞ্চলত হৈ থকা ঘটণা সম্পৰ্কে আমি নগালেণ্ড চৰকাৰক সময়মতে জনাইছিলো। এই বিষয়টো আমি কেন্দ্ৰীয় চৰকাৰকো জনাইছিলো। আৰু তেওঁলোকৰ ফালৰ পৰাও চেষ্টা কৰা হৈছিল যাতে এই ঘটনাবোৰ ঘটিবলৈ নেপায়। কিন্তু ৪ জুনৰ পৰাই এই ঘটনাৰ আৰম্ভ হয়। আৰু ই সোনকালেই তীব্ৰ হৈ পৰে। ৪ জুন তাৰিখে ডিমাপুৰৰ ওচৰত কেন্দ্ৰীয় চৰকাৰৰ এজন জইণ্ট চেক্ৰেটেৰীৰ তত্বাবধানত অসম আৰু নগালেণ্ড চৰকাৰৰ মাজত আয়ুক্ত পৰ্য্যায়ৰ এখন সভা বহে। এই সভা বহি থকা অৱস্থাতে বাতৰি আহে যে মেৰাপানী অঞ্চলত ভীষণ গুলিয়াগুলি আৰম্ভ হৈছে। এই খবৰ পোৱাৰ লগে লগে উক্ত সভাতেই সিদ্ধান্ত গ্ৰহণ কৰা হয় যে দুয়োখন ৰাজ্যৰ ডি, আই, জিয়ে এই ঘটনাৰ তদন্ত কৰিব লাগে। আৰু সেই মতে ৫ জুনৰ দিনা পুৱা ৮ বজাত আমাৰ ফালৰ ডি, আই, জি গৈ সেই ঠাই তদন্ত কৰে যদিও নগালেণ্ডৰ ফালৰ পৰা কোনো বিষয়া নগল। ইয়াৰ কাৰণেই বহুত ঘটনাই ঘটিবলৈ পালে। ইয়াৰ কাৰণে মই আমাৰ পুলিচ বাহীনীক ভীৰু বুলি কব নোখোজো।

উপাধ্যক্ষ মহোদয়, এই দুৰ্ঘটনাৰ সময়ত বেচিভাগ পুলিচৰ মানুহৰেই মৃত্যু হৈছে। পুলিচে ভীৰুতাৰ পৰিচয় দিয়া নাই। আমাৰ ফালৰ পৰা সেই লোক, সকলক ৰক্ষণা-বেক্ষণ দিয়াৰহে ব্যৱস্থা কৰা হৈছিল। শ্ৰীবসুমতাৰী ডাঙৰীয়াই মৃতকৰ সংখ্যাৰ কথা কৈছে সেই হিচাব আমাৰ হাতত আছে, সেই হিচাব মতে বেটেলিয়ানৰ মৃত্যুৰ সংখ্যা ২৮ জন, চিভিলিয়ানৰ মৃত্যু সংখ্যা ১৩ জন। শ্ৰীমথুৰা ডেকাই কৈছে—টাস্ক ফৰ্চৰ মানুহ মৰিছে, সেই কথা সচাঁ নহয়, ইয়াৰ কোনো

এজন মানুহৰে মৃত্যু হোৱা নাই। বসুমতাৰী ডাঙৰীয়াই কৈছে মৃত্যু হোৱা লোক সকল জনজাতীয় লোক কিন্তু এইটো কথা সত্য নহয়। মৃত্যু হোৱা লোক সকল হৈছে সুৰেন গগৈ, দুলেশ্বৰ গগৈ, অনিল্ হাজৰিকা, সৰলা হাজৰিকা, বলেন্দ্ৰ শইকীয়া, চিদ্দিক আলি, বকুল গগৈ, সূৰ্য্য সোণাৰী, জাৰ্য্য সোনাৰী, জিতেন কছাৰী, অকন চুতীয়া ইয়াৰ ভিতৰত এজনহে জনজাতীয় লোক। তাৰোপৰি যি ২৮ জনৰ মৃত্যু হৈছে সেই সকল বেটেলিয়ানৰ লোক। টাস্ক ফোৰ্চৰ চাৰিজনৰ মৃত্যু হৈছে। এই তথ্যখিনিয়ে নিশ্চয় মথুৰা ডেকাৰ সন্দেহ দূৰ কৰিব, কাৰণ তেখেতে ভবাৰ দৰে টাস্ক ফোৰ্চৰ লোকৰ হানি হোৱা নাই। সা-সামগ্ৰী যোগানৰ ব্যৱস্থাটো সত্য নহয়, যথেষ্ঠ পৰিমাণৰ সা-সামগ্ৰীৰ যোগান ধৰা হৈছে, তাৰোপৰি আমাৰ বেটেলিয়ানৰ আউটপোষ্ট কেইটা সেই অঞ্চলৰ ৰাইজৰ ৰক্ষণা-বেক্ষণৰ কাৰণে ৰখা হৈছে। দুস্কৃতিকাৰী সকলক নিয়ন্ত্ৰণ কৰাৰ বাবে ৰখা হৈছিল, কিন্তু যুদ্ধ কৰিবৰ বাবে নহয়। এইটোৱেই আছিল আমাৰ উদ্দেশ্য। গতিকে, তেওঁলোক দোষী হব নোৱাৰে। শ্ৰীহেমেন দাস ডাঙৰীয়াই কংগ্ৰেছ দলক সমালোচনা কৰি কৈছে যে কংগ্ৰেছ দল কেন্দ্ৰত আৰু ইয়াত থকাৰ কাৰণেহে এনে ঘটনা হবলৈ পাইছে। কিন্তু স্থানীয় ভাবে কেতিয়াবা কিছুমান সমস্যাৰ সৃষ্টি হয়, কিন্তু বহুতো সময়ত দল বিলাকে এই সমস্যা নিয়ন্ত্ৰণ কৰিব লাগে।

১৯৭৯ চনত যি ডাণ্ডৰ হত্যাকাণ্ড হৈছিল তাত একান্ন জনৰো অধিক চিভিলিয়ানৰ মৃত্যু হৈছিল, কিন্তু তেতিয়া কেন্দ্ৰত জনতা চৰকাৰ আছিল, অসম আৰু নগালেণ্ডতো জনতা চৰকাৰেই আছিল। দাস ডাঙৰীয়াই কৈছে যে আমাৰ এই অঞ্চল বিলাকত আঞ্চলিক শক্তিবিলাকৰ প্ৰধান্য বৰ বেছি। আমি জানো যে এটা সময়ত নগালেণ্ডত এনে এটা ৰাজনৈতিক অৱস্থা আছিল যি সময়ত ফিজুৰ নেতৃত্বত নগালেণ্ডে স্বাধীনতাৰ কাৰণে সংগ্ৰাম কৰিছিল আৰু নগালেণ্ড ভাৰতবৰ্ষৰ লগত থাকিবলৈ বিছৰা নাছিল। আপোনালোকৰ নিশ্চয় মনত আছে যে প্ৰথম কেইটা সাধাৰণ নিৰ্বাচনত নগালেণ্ডৰ ৰাইজে অংশ গ্ৰহণ কৰা নাছিল। কিন্তু এতিয়া নগালেণ্ডও ভাৰতবৰ্ষৰ লগত লগ লাগি ঐক্য সংহতি বজাই ৰাখিবলৈ চেষ্টা কৰিছে। যি সকলে ভাৰতীয় চিন্তা-ধাৰা বিশ্বাস কৰে, ভাৰতবৰ্ষৰ ঘাই সুতি সমৰ্থন কৰে সেই সকলে এই কথাবিলাক ভালকৈ বুজি পাব। আমাৰ চৰকাৰে সমস্যা সমাধানৰ চেষ্টা কৰে যদিও কিছুমান সমস্যা নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। এনে ধৰণৰ দুষ্কৃতিকাৰী শক্তি যে অসমতে আছে এনে নহয়, মিজোৰাম, মেঘালয়, নগালেণ্ড, ত্ৰিপুৰা, অৰুণাচল আদি সকলোতে আছে।

এই কথাবিলাক ভালদৰে চিন্তা কৰি চাব লাগিব। এইবিলাক ঘটনাই আমাৰ যিসকল লোক আজি ভাৰতীয় ঘাই সুতিলৈ আহিছে সেই সকলক বাধাৰ সৃষ্টি কৰিছে। আমি যিসকলে এই ভাৰতীয় ঘাই সুতিত লগ লাগি থাকিবলৈ বিচাৰো, ভাৰতীয় ঐক্য সংহতি বিচাৰো, এই

সকলোবিলাক চাব লাগিব। আমাৰ কথাবিলাক সংযত হ'ব লাগিব। এনে কাম কৰিব নালাগিব যি ভাৰতীয় ঘাই সুতিত বাধাৰ সৃষ্টি কৰিব। ভাৰতীয় ঐক্য সংহতিৰ কথা মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই কৈছে। সেই সম্পৰ্কে আমি যথেষ্টখিনি কৰিছো। আমাৰ যিসকল আৰক্ষী বাহিনী লোকৰ মৃত্যু হৈছে সেই সকলৰ প্ৰত্যেককে ৫০ হেজাৰ টকা দিয়া হৈছে। তাৰোপৰি যিসকলৰ মৃত্যু হৈছে সেই সকলৰ পৰিয়ালৰ পৰিবাৰক জীয়াই থাকিবৰ বাবে দা-দৰমহা আৰু ৰিটেয়েৰমেণ্টৰ বেনিফিটও পাই থাকিব । যিবিলাকৰ বেছি খুন হৈছে তেওঁলোকক ৩ হেজাৰ আৰু ৫শ টকা অন্যান্য লোকচান হোৱাক ১ হেজাৰ ৫০ টকা বিভিন্ন ভাবে সহায় কৰা হৈছে। তাৰোপৰি আমি প্ৰত্যেককে ঘৰ সাজিবৰ কাৰণে ৫ হেজাৰকৈ টকা দিয়াৰ সিদ্ধান্ত লৈছো। ইয়াৰোপৰি ৩ বান্দিল টিন্‌পাত দিছো। তাৰোপৰি ৰেজিং ৫ খনকৈ দিয়া হৈছে। এই কামৰ বাবে ৩০ টাকৈ বাহো দিয়া হৈছে। প্ৰত্যেক পৰিয়ালক ১৫ শ টকা গৰু কিনিবৰ বাবে আই, আৰ, দি, পি, আঁচনিত পেলোৱা হৈছে আৰু প্ৰত্যেককে দিয়াৰ ব্যৱস্থা কৰা হৈছে। যি সকলৰ গৰু মৰিছে সেই সকলক ট্ৰেক্টৰেৰে হাল বাই দিয়া আৰু বিনামুলীয়া সঁচ দিয়াৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ১৫ লাখ টকা দিছে। প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে এই টকা দিছে। আমি ইতিমধ্যে ৫০ হেজাৰ টকা খৰছ কৰিছোৱেই। স্কুল, নামঘৰ, মন্দিৰ, মছ্‌জিদ আদিৰ কাৰণে মুখ্যমন্ত্ৰীৰ ফাণ্ডৰ পৰা টকা দিয়াৰ ব্যৱস্থা হৈছে। সাজ-পোচাকৰ বাবেও দিয়া হৈছে। যি সকলৰ সম্পূৰ্ণ খেতি-বাতি নষ্ট হৈছে সেই সকলক পিচৰ খেতি নুঠালৈকে খাদ্যৰ যোগান ধৰিব। যি কেইটা পৰিয়ালৰ সম্পূৰ্ণ নষ্ট হৈছে তেনে পৰিয়ালৰ সংখ্যা হব ৭ হেজাৰ ৬শ ৬টা। ইয়াৰ ভিতৰত ইতিমধ্যে আমাৰ কেম্পত থকা মানুহবিলাক ওলাই গৈছে। কেম্পত মুঠতে আছিল ৩৩ হেজাৰ ৫ শ লোক। এতিয়া ৪ হেজাৰমান কেম্পত আছে। প্ৰায়বিলাক ৰাইজ ঘৰে ঘৰে গৈছে। যি সকল আছে বেছি ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণে যাব পৰা নাই। ইতিমধ্যে টিন্‌পাত, বাঁহ আদি পাইছে আৰু টকাখিনি সোনকালে পাব। শ্ৰীকলিতাই এটা কথা উল্লেখ কৰিছে যে সেইবিলাক ঠাই জনবসতি আছিল। ইণ্টাৰ এগ্ৰিমেণ্ট কৰাৰ সময়ত এইবিলাক গাওঁ ৰাখিব নেলাগে, কিন্তু সেইবিলাক গাওঁ ৰাখিলে। এই কথাটোও কৈছে। বাস্তবিকতে এই কথাটো অস্বীকাৰ কৰিব নোৱাৰি। দৈয়াং বনাঞ্চলত ১৩৩ খন গাওঁ আৰু ১ লাখ ৩৮ হেজাৰ লোক আছে। গাওঁ সভা ৪ শ ৫০ আছে। ইমানখিনি মানুহ আছে বেলেগত নিয়া সম্ভৱ নহয়। এইটো বাস্তৱ সত্য, মই জানো ১৯৭২ চনৰ ইণ্টাৰ এগ্ৰিমেণ্ট কৰাৰ আগতে তেওঁলোক বসবাস কৰি আছিল । আন এটা অভিযোগ আনিছে এই অঞ্চলত বাংলাদেশী আৰু নেপালী মানুহ আছে। এইটো সত্য নহয়। তাত ১ লাখ ৩৮ হেজাৰ ধৰ্মীয় সংখ্যা লঘু ৩ হেজাৰৰ বেছি নহয়। নেপালীৰ সংখ্যা ১৫ শৰ পৰা ২ হেজাৰ। চাৰিটা দল ওলাইছে, তেওঁলোকে

কয় যে এই অঞ্চলত বাংলাদেশী সোমাই আছে। মই নিজে গৈছো, দেখিছো আৰু চাইছো – তাত ১ লাখ ৭৮ হেজাৰ মানুহ আহোম, চুটীয়া, কছাৰী মানুহ আছে। ধৰ্মীয় সংখ্যালঘুৰ সংখ্যা ৩ হেজাৰ হব, নেপালী দেৰ হেজাৰ হব। এই ১ লাখ ৩৮ হেজাৰ মানুহৰ ভিতৰত চাৰি-পাচ হেজাৰ মানুহ নেপালী। ভাৰতবৰ্ষৰ বহু সংখ্যক লোক অসমত আছে। বহু ঠাইৰ পৰা অসমত আহি আছে। গোটেই কথা নজনাকৈ কাগজত লিখিলেই সেই বিলাকক গুৰুত্ব দিব নেলাগে। দৈয়াং বনাঞ্চলত বিদেশী সোমাই আছে তেনেকুৱা প্ৰচাৰ হৈছে। তাত মানুহ বসতি কৰি থাকিলেই বিদেশী নহয়। শ্ৰীকলিতাই ১৯৭২ চনৰ চুক্তিৰ কথা কৈছে। মই পঢ়ি দিম।

১৯৭২ চনৰ যি ইন্টাৰিম ৰিপোৰ্ট ৪ খন তাক এখন কৰি অভয়াপুৰী দিচৈ দৈয়াং আদি ৬ খন বনাঞ্চল সম্পৰ্কে The Assam Government agreed that the Reserved Forests of Geleki, Adhoypur, Tiru Hills, Dessoi, Dessoi Valley, Doyang should continue to be reserved forests and maintained as such. No settlement of villagers and no encroachments will be allowed. In dealing with encroachments, the Assam Government will enforce a uniform policy irrespective of the area on State to which the encroachments belong.

The Nagaland Government agreed not to interfere with or obstruct in any way the forest officials and contractors of the Assam Government in the performance of their functions in all these reserved forests including the control order, normal maintenance and working if these reserved forests under lease agreements or contracts alreİdy entered into by the Forest Department of Assam Government. The Assam Government agreed to furnish to the Nagaland Government within 10 days of these agreements a full and complete list of leases and contracts already entered into in respect of the said reserved forests. ;১৯৭২ দিফু ৰেংমা দক্ষিণ নামবৰভাগ আদি বনাঞ্চলৰ সীমাসম্পৰ্কে মীমাংসা হ'ল এনেধৰণৰ 'The chief Ministers of Assam and Nagaland met at Kohima on 2nd January 1979 and in this meeting it was agreed to settle the border

problem by bilateral discussion. They agreed to maintain status-quo and observe the spirit of the Interim Agreement of 1972 all along the border pending a long term solution.' তাৰ পিছত ৪ টা কথা কৈছে তাৰে দুটা এনেধৰণৰ According to the interim agreement of 1972, a civil police check-gate at Merapani on the Golaghat and Wokha road was allowed to continue with seven civil police personnel for enforcement of the Nagaland security regulation 1962 as a purely provisional and temporary measure' মই সিদিনাও কৈছিলো যে ১৯৭২ চনত ইন্টাৰিম এগ্ৰিমেন্টমতে নগালেণ্ড সীমাত যি চাৰিটা চেকপোষ্ট থাকিব তাত নগালেণ্ড চিভিল পুলিচ থাকিব কিন্তু মোৰাপানী অঞ্চললৈ আৰ্মি পুলিচ সোমাই অহাৰ কাৰণেই এই সংঘৰ্ষ হৈছে আৰু হত্যাকাণ্ড সংঘটিত হৈছে। মই আগতে কৈছো যে তাৰ কাৰণে ৪৫ টা ৰিফিল কেম্প কৰিবলগীয়া হৈছে আৰু তাত ৩২,২২৯ জন বাসিন্দা আছে তাৰে ছাৰিহাজাৰ ছয় শ ষাঠিজন নিজ নিজ ঘৰলৈ ঘূৰি গৈছে। এতিয়াও শৰনাৰ্থী সকল নিজৰ নিজৰ ঘৰলৈ গৈয়েই আছে আৰু তেওঁলোকক আমি কিছু সুৰক্ষা দিব পাৰিছো। কিন্তু ইয়াৰ ভিতৰতো বহুতে অন্য মত পোষণ কৰিছে যদিও আমি তেওঁলোকক যথেষ্ট পৰিমাণে সহায় কৰা হৈছে। মাননীয় সদস্য সকলৰ ওচৰত এই কথা মই কব খুজিছো যে সীমান্ত অঞ্চলত যিবোৰ ঘটনা ঘটিছে সেইবিলাক বৰ দুখজনক ঘটনা। ই জঘন্যতম মৰ্ম্মান্তিক ঘটনা। আমি তাত গভীৰ দুখ প্ৰকাশ কৰিছো। মই ভাবো অসমৰ ফালৰ পৰা আমি বহুত কথাই চিন্তা কৰি কাম কৰিব লাগিব । প্ৰথমতে চাওঁক আমাৰ সীমাবিবাদ হোৱাৰ কাৰণ? ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত সীমাবিবাদৰ কাৰণ হৈছে এই গোটেই কেইখন ৰাজ্য অসম ৰাজ্যৰ পৰা হোৱা ৰাজ্য । আজি নগালেণ্ড, মিজোৰাম, অৰুণাচল, মেঘালয় গোটেই কেইখন ৰাজ্যই সিমাৰ পৰা সৃষ্টি হৈছে। এটা সময়ত তেওঁলোক অসমৰ লোক আমাৰ সীমাত বসবাস কৰি আছে। যেনে চাওঁক ঃ কামৰূপ গোৱালপাৰা সীমান্তত বহুতো খাচী লোক বসবাস কৰি আছে। তেওঁলোক থাকিব। তেওঁলোকৰ হয়তো ভাব হব পাৰে যে মেঘালয়ত পৰা উচিত আছিল। এটা সময়ত খাচী জয়ন্তীয়া আৰু গাৰোপাহাৰ অসমতেই আছিল। এই বিলাকত সীমা বৃটিচৰ শাসনকালতে ডিমাৰকেট কৰা হৈছিল। তেওঁলোকে বৃটিচ শাসন কালত জিলা বা শাসনৰ সুবিধা অণুপাতে সীমা নিৰূপণ কৰিছিল। সেই হিচাবে তেওঁলোক বসবাসকৰি আছে। এতিয়া কামৰূপ গোৱালপাৰা সীমান্তত থকা গাৰো খাচীসকলে মেঘালয়ত সোমাব বিচাৰিছে সেই কাৰণে এই সীমাবিবাদৰ সৃষ্টি হৈছে। নগালেণ্ডৰ ক্ষেত্ৰতো একেই কথা। গতিকে এই সকলো বিলাক বিষয় বিবেচনা কৰি চাই সাংবিধানিক সংকট হব দিব নোৱাৰি। মই কেন্দ্ৰীয়

চৰকাৰকো একে কথাই কৈছো যে ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত আমাৰ যি সীমাবিবাদ-সেইটো সোনকালে নিস্পতি কৰিব লাগে যাতে আমি শান্তিপূৰ্ণ ভাবে কাম কৰি থাকিব পাৰো। এইটো ঠিক যে আমি বেলেগ ৰাজ্যৰ মানুহ আমাৰ মাজত আছে কাৰণেই তেওঁলোকক উলিয়াই দিব নোৱাৰো। তেওঁলোক আমাৰ লগতেই বসবাস কৰি আছে, আৰু থাকিবও। গতিকে আমাৰ সহনশীলতা থাকিব লাগিব। এই কথা মই কেন্দ্ৰীয় চৰকাৰক বাৰে বাৰে বুজাই আছো। মকাবিলা এটা কৰিবৰ কাৰণে আমাৰ চেষ্টা এতিয়াও অব্যাহত আছে। এইটো কথা ঠিক যে আমি কোনো ক্ষেত্ৰতে নগালেণ্ড, অৰুণাচল বা মেঘালয়ক আমাৰ সুবিধা এৰি দি আপোচ মীমাংসা নকৰে। কিন্তু আমি সীমাৰ কাৰণেও কেতিয়াও কাজিয়া নকৰো। মাননীয় সদস্য সকলে সুন্দৰম কমিশ্বনৰ কথা ইয়াত উল্লেখ কৰিছে। অসম নগালেণ্ড সীমা সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে সুন্দৰম কমিশ্বন পাতি দিছিল। এই সুন্দৰম কমিশ্বনৰ ওচৰত অসমে নিজৰ অঞ্চলৰ কাৰণে যুক্তি প্ৰদৰ্শন কৰিছিল আৰু সেই হিচাবে সুন্দৰম কমিশ্বনক বুজাব পাৰিছিল। নগালেণ্ডৰ ফালৰ পৰা সেইটো কৰিব নোৱাৰিলে, এতিয়া সেয়ে তেওঁলোকে সেই কমিশ্বন নায্য বুলি ভবা নাই। এই বিষয়ত যাতে সোনকালে এটি নিষ্পত্তি কৰিব পাৰি তাৰ কাৰণে মই কেন্দ্ৰীয় চৰকাৰক হেচা দিছো। দুই দেশৰ মাজত বুজাপৰাৰ এটা ভাব আহিলে নিশ্চয় শান্তি আৰু নিৰাপত্তাই বিৰাজ কৰিব। এই কথাটো আমি ভালদৰে চিন্তা কৰিব লাগিব। আমি এতিয়া কেনেকৈ বুজাপৰাৰ মাজেৰে আমাৰ সীমান্তত থকা লোক সকলক স্থায়ীভাবে নিৰাপত্তা আৰু শান্তি দিব পাৰো সেইটোহে আমি বিশেষ এই ভাবে চাব লাগিব। আমি বে আইনী ভাবে বা যুদ্ধ কৰি এই সীমান্তৰ সমস্যা সমাধান কৰিব নোৱাৰো। সেয়েহে মই আকৌ কৈছো যে বুজাপৰাৰ মাজেৰে কামবিলাক কৰিব লাগিব। এই বুজাপৰা কৰিবলৈ যাওঁতে আমাৰ কিছু এৰা ধৰা কৰিব লাগিব। এই বুজাপৰা কৰিবলৈ যাওঁতে সেইবুলি আমি অসমখন যে নগালেণ্ডক দি দিম সেইটো নহয় আৰু নগালেণ্ডো যে অসমলৈ আহিব সেইটো নহয়। এনেধৰণৰ সিদ্ধান্ত কৰিব লাগিব যাতে আমাৰ যিটো সীমা সেই সীমাটো স্থায়ী ভাবে নিদ্ধাৰণ কৰিব লাগিব। আৰু সীমান্তত থকা লোক সকলক নিৰাপত্তা আৰু শান্তি দিব পাৰো। এইখিনি কথাকেই কৈ মই আশা ৰাখিছো মাননীয় সদস্য সকলক বুজাব পাৰিছো। আজি এই দৃষ্টিকোণ আগত ৰাখি কাম কৰিলে নিশ্চয় এই গোলমাল বিলাক নাইকীয়া কৰিব পাৰিম। এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলৰ পৰা সহায় সহযোগ বিচাৰিছো।

* **Shri Binoy Khungur Basumatary :** Sir, with a view to obtain certain assurances from the Government, I have provided a list of persons who died in the camp because of lack of medical facilities.

---

* ***Speech not Corrected***

Sir, may I know from the Hon'ble Chief Minister whether the Government would declare these people as having been died in the camp ? Regarding the assurances, the Chief Minister has somehow failed to convinee me because we have just before our eyes that these talks have been betrayed. But even after that will the Government of Assam proceed to have a joint discussion with the Chief Minister of Nagaland.Then, sir, there are certain facts regarding the deserters in the Police Force. Whether it is a fact that there are certain deserters in the force. If so, what are the steps Government propose to take against them.

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ** উপাধ্যক্ষ মহোদয়, তেখেতে কোৱা কথাটোৰ প্ৰতি মোৰ সজাগ দৃষ্টি আছে। তাত এনেকুৱা বিলাক কথা চলি আছে, আমাৰ কেইবাখনো মিটিং ইতিমধ্যে হৈ গৈছে। আমি সঘনেই নগালেণ্ড আৰু অসমৰ মুখ্যমন্ত্ৰী বহি এইবিলাক কথা আলোচনা কৰি সমাধান কৰিবলৈ চেষ্টা কৰি আছো। আৰু প্ৰতি মাহে ডিষ্ট্ৰিক লেভেলতো এই কথা বিলাকৰ আলোচনা কৰাৰ কাৰণে চেষ্টা কৰিছো। অকল অসমতেই নহয় নগালেণ্ডটো এনে ব্যৱস্থা হৈছে। তেখেতে যিখিনি লোক কেম্পত মৰা বুলি কৈছে কিন্তু সেইটো নহয়। আমাৰ হিচাবত তাত চিকিৎসা খুব ভালেই চলি আছে, খাদ্য যোগান ঠিকমতেই চলি আছে কিন্তু দুৰ্ভাগ্যজনক কথা যে কেতবোৰ দলৰ লোকে সুযোগ লৈ তাত অশান্তি সৃষ্টি কৰিবলৈ চেষ্টা কৰি আছে। অৱশ্যে আমি যিমান দূৰ পাৰিছো এইবিলাক কামত তাত বাধা দিয়া হৈছে। মেৰাপানীৰ যিবিলাক লোক সেই সকলে এতিয়া বুজি পাইছে যে এই চৰকাৰে তেওঁলোকৰ ৰক্ষণা-বেক্ষণৰ কিছু ব্যৱস্থা হাতত লৈছে। বসুমতাৰী ডাঙৰীয়াই কেম্পত মৰাৰ কথা কৈছে কিন্তু আমাৰ হিচাপত কেম্পত মানুহ মৰা নাই। তেখেতে যিখন লিষ্ট দিছে সেইখন আমাক দিলে সেইটো আমি পৰীক্ষা কৰি চাম। তাৰ পাচত তেখেতে নিখোজ হোৱা লোকৰ কথা কৈছে, ১১ জন মিছিং হোৱা বুলি কৈছে। তাৰে ৭ জনক মৃত অৱস্থাত পোৱা হৈছে বাকী ৪ জন মিচিং হোৱা নাই তিনি জন ঘূৰি আহিছে আৰু এজন আহিব। এখেতে আৰু এটা কথা উল্লেখ কৰি কৈছে—আমি সেই অঞ্চলৰ লোক সকলক ৰক্ষণা-বেক্ষণ নিদিয়া কথাতো সচা নহয়, আমি তেওঁলোকক ৰক্ষণা-বেক্ষণ দিছো। সেই অঞ্চলত যাতে সম্পূৰ্ণ শান্তি বিৰাজ কৰে আৰু তাত থকা লোক সকলে সাহসেৰে বসবাস কৰিব পাৰে তাৰ কাৰণে বি, এচ, এফ ক ডেপুট কৰা হৈছে। আৰু বি, এচ, এফ থকাৰ কাৰণে তেওঁলোকে এতিয়া শান্তি পাইছে আৰু মুকলি মূৰীয়াকৈ খেতি-বাতি আৰম্ভ কৰিব পাৰিছে। মই

* *Speech not Corrected*

আশা ৰাখিছো বসুমতাৰী ডাঙৰীয়াৰ কথাখিনিৰ স্পটীকৰণ দিব পাৰিছো। আমি কথাবিলাক লুকাই ৰাখিবলৈ বিচৰা নাই আৰু সেই কাৰণেই কথাবিলাক যাতে স্পষ্ট, মুকলিভাৱে প্ৰকাশ পায় তাৰ কাৰণে এই আলোচনাৰ বাবে বিধান সভাৰ অধিবেশন আহ্বান কৰা হৈছে। উপাধ্যক্ষ [illegible] ১৯৭৯ চনত যেতিয়া চুঙাজানত ৫১ জন লোকক হত্যা কৰা হৈছিল তেতিয়া ৰাজ্যপালক বিধান সভা বহুওৱাৰ কথা কোৱা হৈছিল কিন্তু তেতিয়া বিধান সভা নবহিলে। সেয়ে বিধান সভা বহুওৱা হৈছে যাতে এই গোটেইবিলাক কথা আলোচনা কৰিব পাৰি আৰু তাৰ এটা মোকামিলা আৰু স্পষ্টীকৰণ কৰিব পাৰি। এই কথা বিলাক অৰ্ডিনেন্স কৰি অক্টোবৰ মাহলৈকে বিধান সভা নবহুৱাকৈও থাকিব পাৰিলোহেতেন আৰু বিল কেইখন অৰ্ডিনেশ্চ কৰি চলাব পাৰিলোহেতেন। কিন্তু এই কথাবিলাক চেপি থবৰ আমাৰ মন নাই। এপ্ৰিল মাহৰ পৰা অক্টোবৰ মাহলৈকে এই ৬ মাহ আমি বহি থাকিব পাৰিলোহেতেন কিন্তু এইবিলাক যাতে ভালদৰে ওলাই পৰে আৰু আলোচনা কৰিব পাৰি আৰু লগতে এই বিলকেইখন পাচ কৰিব পাৰি তাৰ কাৰণে এই বিধান সভা হৈছে যাতে আমাৰ মাননীয় সদস্য সকলে মেৰাপানীৰ লোক সেই সকলক আমি তাত কৰিবলৈ ৰখা নাই। তাত আমি আমাৰ সীমান্ত অঞ্চলত বসবাস কৰা লোক সকলক ৰক্ষণা-বেক্ষণ দিবৰ কাৰণেহে ৰাখিছো। আজি এই ২৮ জন লোকৰ মৃত্যু নহলহেতেন যদি আমি সেই সকল লোকক ৰক্ষণা-বেক্ষণ দিবলৈ নগলোহেতেন বা চেষ্টা নকৰিলোহেতেন। গতিকে এইসকল লোকক ৰক্ষণা-বেক্ষণ দিবলৈহে ৰখা হৈছে যুদ্ধ কৰিবলৈ নহয়। আমাৰ কনিষ্টবল সকলে সাহসেৰে যিখিনি পাৰে কৰিছে। ৪ তাৰিখৰ মিটিংত সিদ্ধান্ত হৈছিল যে ফায়াৰিং বন্ধ ৰাখিব লাগে আৰু সেইটো বিবেচনা কৰিয়েই ফায়াৰিং বন্ধ ৰাখিছে।

* **Shri Binoy Khungur Basumatary** : Sir, I have raised a pertinent point regarding the statement of the Chief Minister of Nagaland on the floor of the House. It reads like that "we have tought them a lesson and will also treat them equally if they repeat the same in future." Sir, when the Chief Minister of Nagaland has made this statement in the Assembly of Nagaland and considering this will our Chief Minister sit with him after obtaining apology or this Assembly will take up this issue and advise atleast to sit for a joint discussion only after obtaining the apology.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ উপাধ্যক্ষ মহোদয়, মই সিদিনাই কৈছো যেতিয়া বসুমতাৰী

---

* *Speech not Corrected*

ডাঙৰীয়াই ৰেইজ কৰিছিল যে এইটো বৰ দুৰ্ভাগ্যজনক কথা। আৰু আজিও কওঁ এইটো বৰ দুৰ্ভাগ্যজনক কথা। আমাৰ প্ৰধান উদ্দেশ্য হ'ল সীমান্তত থকা লোক সকলক নিৰাপত্তা দিয়া, তেওঁলোকৰ মাজত শান্তি বিৰাজ কৰা, নগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে কোৱা কথাটোৰ ওপৰত গুৰুত্ব দি কাজিয়া কৰিব খোজা নাই। এতিয়া তেখেতে যিটো কৈছে সেইটো বাতৰি কাকততো তেনেকৈয়ে কৈছে কিন্তু এইটো কিমানদূৰ অথেনটিক সেইটো চাব লাগিব। তাৰোপৰি সদ্যহতে আমাৰ কৰিবলগীয়া যিখিনি প্ৰধান কাম আছে সেইখিনি আমি কৰি লও, পাচত প্ৰচিডিং পালে এই বিষয়ে খাটাং হৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিবলৈ সুবিধা পাম আৰু মই মোৰ নিজৰ ফালৰ পৰাও তেতিয়া ব্যৱস্থা লবলৈ চেষ্টা কৰিম। বাতৰি কাকতৰ খবৰটো আমি কিমানদূৰ সত্য সেইটো চাব লাগিব।

* **Shri Binoy Khungur Basumatary :** Sir, before this is clarified by the Nagaland Chief Minister our Chief Minister will not sit down with Nagaland Chief Minister.

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ** কথাটো সেইটো নহয় কিয়নো ইয়াত আমাৰ স্বাৰ্থ নিহিত হৈ আছে বিশেষকৈ সীমান্তত থকা লোক সকলক ৰক্ষণা-বেক্ষণ দিয়া আৰু তেওঁলোকৰ মাজত শান্তি বিৰাজ কৰা। সেইটোৱে আমাৰ ঘাই উদ্দেশ্য। এতিয়া সেই বিলাকত লাগি থাকিলে আমাৰ নিজৰেই ক্ষতি হব। পিচলৈও সেই বিষয়ে আমি চকু দিব পাৰিম।

* **শ্ৰীচন্দ্ৰধৰ কলিতা ঃ** আমাৰ অসম নগালেণ্ড সীমান্তৰ বনাঞ্চল সমূহৰ যিমানখিনি মানুহ আছিল সেইমানুহখিনিক এই এগ্ৰিমেণ্টটো হোৱাৰ আগতে তুলি অনাৰ কথাকৈছে। সেইটো মই প্ৰসংঙ্গ হিচাবেহে উত্থাপন কৰিছিলো। আগৰ চৰকাৰে যিটো সিদ্ধান্ত লৈছিল সেইটো সিদ্ধান্ত হিচাবে মত প্ৰকাশ কৰা নাছিল। গতিকে তাত এটা কন্‌ফিউজন হৈ আছে। তাত থকা বনাঞ্চল খিনিত ঘোষণা কৰা হৈ আছিল আৰু তেতিয়া চেণ্টাৰৰ লগত আলোচনা কৰিব লাগিছিল। এইটো স্পষ্ট হোৱাৰ আগতে বহুবিলাক চিগনেল পোৱা হৈছিল। সেই এলেকা বিলাকৰ বিভিন্ন ঠাইত খেতি-বাতি কৰে আৰু ফচল উৎপাদন কৰে অসমৰ মানুহে কিন্তু তেওঁলোকে সেই ফচল বিলাক কাটি লৈ যায়। এইবিলাক বহুদিনৰ পৰাই চলি আহিছে। তেনেধৰণৰ ঘটনা আগৰ পৰাই হৈ আছে। এইটো হঠাৎ হোৱা ঘটনা নহয়। এনেধৰণৰ আগৰ পৰাই চলি আছে। তেনেক্ষেত্ৰত এই এগ্ৰিমেণ্টতো হোৱাৰ আগতেই সেই অঞ্চলত বাস কৰা লোক সকলক নিৰাপদ ঠাইলৈ নিব লাগিছিল। মানুহ মৰাৰ পাচত তাত ৰিলিফ দিব পাৰি আৰু বহুতো কিবা কিবি কৰিব পাৰি কিন্তু সেই যি সকল লোকৰ প্ৰাণ হানি হ'ল সেইবিলাকতো ঘূৰাই আনিব নোৱাৰে। এনেধৰণৰ এটা নিৰাপত্তাহীন অৱস্থা তাত বহুদিনৰ আগৰ পৰাই বিৰাজ কৰি আছিল। গতিকে আগতীয়াকৈ এই

* *Speech not Corrected*

বিষয়ে সতৰ্ক হ'ব লাগিছিল। আৰু সেই অনুযায়ী ব্যৱস্থা লব লাগিছিল।

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, সিদিনা মই প্ৰশ্নৰ উত্তৰত কৈছোঁৱেই ১৯৭২ চনত প্ৰধান মন্ত্ৰীয়ে ৬ খন বনাঞ্চল সম্পৰ্কে লোৱা সিদ্ধান্তৰ কথা কৈছিল আৰু ১৯৭৯ চনত যেতিয়া এই বিলখন চুক্তি কৰা হৈছিল মই তেতিয়া কৈছিলো যে ১৯২৫ চনৰ নোটিফিকেচনৰ ভিত্তিত নগালেণ্ড হিলচ্ ডিষ্টিক খনৰ সীমা শেহতীয়াকৈ নিৰ্দ্দিষ্ট কৰা হৈছে। ১৯৬৩ চনত নগালেণ্ড সৃষ্টি হয়। তেতিয়া নগালেণ্ড আৰু সীমান্ত সম্পৰ্কে এক্ট অব পাৰ্লিয়ামেণ্ট নগালেণ্ড হিলচ্ ডিষ্ট্ৰিক্টকে সীমা কৰি দিছিল আৰু সেইফালৰ পৰা তেতিয়া নগালেণ্ডৰ সীমাত ১৯২৫ চনৰ নোটিফিকেচন মতে দিয়া হৈছিল। সেইটো কন্ষ্টিটিউচন আৰু বৰ্ডাৰৰ ভিত্তিত কৰা হৈছে। নগালেণ্ড সৃষ্টি হোৱাৰ পাচত তেওঁলোকে তেওঁলোকৰ সীমাৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা যোগ কৰে। নগালেণ্ড সৃষ্টি হোৱাৰ আগতে ১৯৬০ চনত নগালেণ্ড নেচনেল কাউঞ্চিলে প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৰ ওচৰত দাবী উত্থাপিত কৰিছিল আৰু সেই দাবীৰ ভিতৰত ৯ খন বনাঞ্চল থাকিব লাগে বুলি কৈছিল। কিন্তু এই কথাটো এক্ট অৱ পালিয়ামেণ্টত নাই। ১৯৭২ চনৰ ইণ্টেৰিয়াম এগ্ৰিমেণ্ট মতে নগালেণ্ডৰ বাহিৰৰ ৬ খন বনাঞ্চলৰ কেতবোৰ কথাৰ চুক্তি কৰিলে। ১৯৭৯ চনত আৰু ৩ খন বনাঞ্চল সম্পৰ্কে চুক্তি কৰিছিল। এই দুই খন ইণ্টেৰিয়াম এগ্ৰিমেণ্ট পোৱাৰ পাচত এই কেইটা বনাঞ্চল আমি স্বীকৃতি দিছো। ১৯৭৯ চনত চুঙাজানৰ ঘটনাৰ পাচত এই বনাঞ্চল কেইখনৰ মাজত এটা বৰ্ডাৰ ৰোড্ কৰিলে। এতিয়া সেই ঠাইৰ ওচৰত বসবাস কৰি থকা নগা সকলে তালৈকে নাগালেণ্ডৰ সীমা হ'ব লাগে বুলি কয়। যেতিয়া মেৰাপানীলৈ গৈছিলো তেতিয়াওঁ কিছুমানে এইটো সীমা হব লাগে বুলি কয়। বোৰ্ডাৰ ৰোডেই সীমা নিৰ্দ্ধাৰিণ হব নোৱাৰে। এনেবিলাক কিছুমান কথা আছে। ১৯৭২ চনৰ ইণ্টেৰিয়াম এগ্ৰিমেণ্টৰ ৬ খন বনাঞ্চল সম্পৰ্কে নগালেণ্ডৰ দাবীটো স্বীকৃতি দিছে। সেইটো সুন্দৰম কমিচনেও ৰিকমেণ্ডেচন দিছে। ১৯৭২ চন আৰু ১৯৭৯ চনৰ এগ্ৰিমেণ্ট আমাৰ হাতলৈ অহাৰ পাচত সেইটো কেনেকৈ কমপ্লিট হয় তাৰ দায়ীত্ব আমাৰ হাতলৈ আহিছে । ১৯৭৯ চনত জনতা চৰকাৰে কৰাৰ কাৰণে আমি তাক সমালোচনা কৰিব নোৱাৰো কাৰণ সেই সময়ত কেনেকুৱা এটা অৱস্থা হৈছিল যাৰ কাৰণে এই ব্যৱস্থা লব লগা হৈছিল। কাৰণ তিনি খন বনাঞ্চলৰ ওপৰত যিটো ডিচপিউত সেইটো মাৰিব লাগে। কেনেকৈ নগালেণ্ডে এই ৯ খন বনাঞ্চল দাবী কৰিব পাৰে এই ডিচপিউতটো আমি মাৰিব লাগিব।

* **শ্ৰীমথুৰা ডেকা ঃ** মুখ্যমন্ত্ৰী মহোদয়ে আমাক মেৰাপানীৰ সম্বন্ধে অবগত কৰোৱাৰ বাবে আমি তেখেতক ধন্যবাদ জনাইছো। কিন্তু আমি অভিযোগ পাইছো যে তাত যিবিলাক টিন পাতৰ

---

* ***Speech not Corrected***

যোগান ধৰা হৈছে সেই বিলাক বোলে কাগজৰ দৰে পাতল আৰু যি চেনিৰ যোগান ধৰা হৈছে সেই বিলাক পানী ওলোৱা। এই কথা বিলাক হয়নে নহয়?

* **শ্ৰীহিতেশ্বৰ শইকীয়া ঃ** (মুখ্যমন্ত্ৰী) অহা ১৯ তাৰিখে বিধান সভাৰ বিৰোধীদলৰ সদস্য সকলক মই তালৈ লৈ যোৱাৰ কথা ভাবিছো। তেখেত সকল নিজে গৈ তাত কি হৈছে, কিমান মানুহ মৰিছে, কেনেকৈ মৰিছে, সাহায্য পাইছেনে নাই, টিনপাত কাগজৰ দৰে পাতল নে দাঠ, আৰু চেনি পানী ওলোৱানেকি এই গোটেই কথা বিলাক চাই আহিব পাৰিব। অৱশ্যে ঠায়ে ঠায়ে গুৱাহাটীত বস্তুৰ মূল্য নিৰ্দ্ধাৰণ কৰি দিয়াৰ ফলত বস্তু পাবলৈ টান নোহোৱা নহয়। বস্তুৰ মূল্য নিৰ্দ্ধাৰণ কৰাৰ কাৰণে ঠায়ে ঠায়ে চাহিদামতে পাবলৈ টান হৈছে। যিবিলাক অঞ্চলত বানপানী হৈছে সেই বিলাক অঞ্চলত চেনীৰ দাম বাঢ়ি গৈছে। সেই বিলাক অঞ্চলত ষ্টেটফেদৰ পৰা চেনী দি দাম কমোৱা হৈছে। আমি গাওঁ অঞ্চল বিলাকত বস্তু পোৱাৰ দিহা কৰিছো। ইতিমধ্যে ইমপৰ্ট চেনীৰ দাম ৬ টকা হৈছে। মুকলি বজাৰত ৭ টকা। এই চেনী আহি পালেই উলিয়াই দিয়া হব।

* **শ্ৰীঅলিত বড়ো ঃ** মুখ্যমন্ত্ৰী মহোদয়ে যি তথ্যপাতি দিলে সেই খিনি প্ৰায়েই অসম্পূৰ্ণ। গতিকে ভৱিষ্যতে সকলো ধৰণৰ তথ্যপাতি দিয়াৰ ব্যৱস্থা কৰিবনে ?

* **শ্ৰীহিতেশ্বৰ শইকীয়া ঃ** (মুখ্যমন্ত্ৰী) দিয়া হব।

**Mr. Deputy Speaker :** The House Stands adjourned till 10-a.m. tomorrow the 16th July, 1985.

---

* *Speech not Corrected*

## ADJOURNMENT

The House then rose at 3.58 P. M. and stood adjourned till 10 A. M. on Tuesday, the 16th July, 1985.

Dispur,
the 15th July, 1985.

**Dr. P. N. Hazarika**
Secretary,
Assam Legislative Assembly